REFERENCE
Not for Issue
A. L. A. Library

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

JANUARY SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JANUARY SESSION

## VOL. I

**NO. 4**

The 21st January, 1986

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

(January Session)

Volume—I

No. 4.

Dated, the 21st January, 1986

Contents | Pages


| | | |
|---|---|---|
| 1. | Calling Attention ... ... .. | 1— 3 |
| 2. | Matter under Rule 301 ... ... | 3— 8 |
| 3. | Constitution of Legislature Committees ... | 8— 9 |
| 4. | Debates on Governor's Address ... | 9—53 |
| 5. | Consideration and Passing of Government Bill | 53—56 |
| 6. | Obituary Reference ... ... ... | 56—57 |
| 7. | Adjournment. ... ... .. | 57 |



Reference
Not for Issue
A. L. A. Library

Proceedings of the First Session of the Assam Legislative Assembly assembled after the Eighth General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Tuesday the 21st January. 1986 with the Hon'ble Speaker in the Chair, 14th (fourteen) Ministers, 7 (seven) Ministers of State, 101 (one hundred one) Members present.

## CALLING ATTENTION

মাননীয় অধ্যক্ষ, :—এতিয়া ১ নং কাৰ্য্যসূচী। শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে, সেখ আব্দুল হামিদ, শ্ৰীমুকতাৰ হুচেইন, শ্ৰীস্বহিদুল ইছলাম আৰু শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত, সদস্য সকলে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৫ চনৰ ২৯ ডিচেম্বৰ তাৰিখৰ 'চেন্তিনেল' কাকতত প্ৰকাশিত 'আন অথৰাইজ এফ, চি, আই, ষ্টক লিফটেড' শীৰ্ষক বাৰ্তাৰিটোৰ প্ৰতি যোগান বিভাগৰ মনোযোগ আকৰ্ষণ কৰিব।

Shri ARDHENDU KUMAR DEY.—Respected Speaker, Sir, I beg to call the attention of the Minister, Supply under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Sentinel', dated 29th December, 1985 under caption "Unauthorised F. C. I. stocks lifted".

মাননীয় অধ্যক্ষ, :—এতিয়া যোগান বিভাগৰ মাননীয় মন্ত্ৰীয়ে কব।

*শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৯।১২।৮৫ তাৰিখে 'চেন্তিনেল' কাকতত আন অথৰাইজ এফ,চি, আই ষ্টক লিফটেড শিৰোনামাত প্ৰকাশিত বাৰ্তাৰ সন্দৰ্ভত বৰ্ত্তমান দৃষ্টি আকৰ্ষনীয় প্ৰস্তাৱ। বাৰ্তাত অভিযোগ কৰা হৈছে যে বৃহৎ পৰিমাণৰ লেভি চেণী আৰু চাউল খাদ্য নিগমৰ গোদামৰ পৰা উলিয়াই কলা বজাৰত বৌকং কোটা হিচাপে বিক্ৰী কৰা হয়। বিভাগীয় নথিৰ পৰা দেখা যায়যে যোৱা ৩১।৭।৮৫ তাৰিখে নগাঁৱৰ যোগান পৰিশদলৈ এক ট্ৰাক চেণী সন্দেহ ক্ৰমে হোজাইত জব্দ কৰে। এই চেণী কাৰ্বি আংলঙ জিলাৰ বাবে আবন্টন দিয়া লেভি চেনী বুলি সন্দেহ কৰা হৈছিল। নগাও জিলাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়া সকলে তদন্ত কৰি তলত দেখুৱা মতে ৯খন এজাহাৰ পুলিচ থানাত দাখিল কৰে।

১। ২৭।১২।৮৫ তাৰিখে নগাঁও থানাত মৰিগাঁও মহকুমাৰ ১৪ খন গাঁও পঞ্চায়তৰ সমবায় সমিতিৰ সংক্ৰান্তত দাখিল কৰা এখন এজাহাৰ।

২। ২৭।১২।৮৫ তাৰিখে নগাঁও থানাত ডিফু মহকুমাৰ ৩ খন লেম্পচ ৰ সংক্ৰান্তত দাখিল কৰা ৩ খন এজাহাৰ।

৩। ২৯।১২।৮৫ তাৰিখে নগাঁও থানাত নগাঁও মহকুমাৰ ১০ খন গাঃ পঃ সঃ সঃ ৰ সংক্ৰান্তত দাখিল কৰা ২ খন এজাহাৰ।

৪। ১৮।১।৮৬ তাৰিখে হোজাই থানাত হোজাই মহকুমাৰ ২ খন গাঃ পঃ সঃ সঃ ৰ সংক্ৰান্তত দাখিল কৰা ৩ খন এজাহাৰ।

উক্ত এজাহাৰ সমূহত অভিযোগ কৰা হৈছে যে আগতিয়াকৈ সংশিলণ্ট উপায়ুক্ত/মহকুমাধিপতিক নজনোৱাকৈ আৰু তেওঁলোকৰ পৰা কোনো কৰ্ত্তৃত্ব নোপোৱাকৈ খাদ্য নিগমৰ নগাঁও শাখাৰ পৰা নগাঁও/মৰিগাও। হোজাই। ডিফু মহকুমাৰ বিভিন্ন সমবায় সমিতিৰ নামত বেকলগ কোটা হিচাবে চাউল আৰু চেণী মুকলি কৰি দিয়া হৈছিল।

এই এজাহাৰ বিলাকৰ ভিত্তিত সংশিলণ্ট থানাত গোচৰ পঞ্জীভুক্ত কৰা হৈছে আৰু এই গোচৰ বিলাকৰ তদন্ত চলি আছে।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় যোগান বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এতিয়া যি বিবৃত্তি দিলে তাত মই পতিয়ন যাব পৰা নাই। মই জনাত নগাঁও জিলাত ৩১ টা ৰিপোট পৰি আছে। এইটো এটা কোটি কোটি টকাৰ স্কেন্দেল। মাননীয় যোগান মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ এটা ভাল তদন্ত কৰাৰ আস্বাস দিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( খাদ্য আৰু যোগান মন্ত্ৰী ):— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয়ৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিছে সেইটো মই ভালদৰে উপলব্ধি কৰিছো। অত্যাৱশ্যকীয় খাদ্য বস্তুৰ ওপৰত যি কাম হৈছে সেইটো অতি বেয়া হৈছে। মই নিজে এই কথা জানিব পাৰি মৰ্মাহত হৈছো। দেশখনত যদি এনেকুৱা কাম চলি থাকিবলৈ দিয়া হয় তেন্তে দেশৰ তথা দেশৰ জনসাধাৰণৰ কেতিয়াও মঙ্গল নহব। এনে কাম যাতে আগলৈ হব নোৱাৰে তাৰ ব্যৱস্হা মই হাতত লম। আৰু এই কামৰ কাৰণে যি দোষী তেওক উপযুক্ত শাস্তি দিয়া হব, সেই শাস্তি যিমানেই কঠোৰ নহওক লাগে।

শ্ৰীস্বাহিদুল ইচলাম :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি কৈছে তাত মই আস্বস্ত হব পৰা নাই। আমাৰ এযাৰ কথা আছে যে 'ভোকত ভাত পিয়াহত পানী, তাক নাখালে হয় বল হানি।' আমাৰ নতুন চৰকাৰৰ ওচৰত আমি এইটোৱেই প্ৰথম দুনীৰ্তিৰ কথা উঠাইছো। এই চৰকাৰে নিকা প্ৰশাসন চলাম বুলি, দুৰ্নীতি মুক্ত এখন সমাজ গঢ়িম বুলি অসমৰ ৰাইজক প্ৰতিশ্ৰুতি দি আছে প্ৰতি দিনে। অথচ আজি আমি এই চৰকাৰৰ দিনতে দুনীৰ্তিৰ কথা সদাৰি কৰিব লগা হৈছে! যদি চৰকাৰে ইয়াৰ এটা ভাল তদন্তৰ ব্যৱস্হা নকৰে তেন্তে এই চৰকাৰৰ বদনাম হব।

Shri BINAI KHUNGUR BASUMATARI.—Point of order, Sir. Only clarification can be sought and no lecture.

মাননীয় অধ্যক্ষ :— মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( খাদ্য আৰু যোগান মন্ত্ৰী ):—অধ্যক্ষ মহোদয়, মই ইতিমধ্যে ইয়াৰ উত্তৰ দিছোৱেই।

Shri CHARAN NARZARY.—Point of clarification, Sir, This is only an example of a particular case. But similar cases are there in all the districts. Now will the Hon'ble Minister concern be pleased to make a thorough enquiry into the affairs of the F. C. I covering all the districts so that corruption can be checked to some extent.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা( মন্ত্ৰী ) ঃ— বিশেষভাবে অভিযোগ দিলে আমাৰ তদন্ত কৰিবলৈ ভাল হয়। গোটেই অসমতে এনে কাম বন্ধ কৰিবৰ কাৰণে আমি প্ৰয়োজনীয় ব্যৱস্থা হাতত লম।

Shri CHARAN NARZARY.—Mr. Speaker, Sir, Hon'able Minister has not replied to my point.

## MATTER UNDER RULE 301

মাননীয় অধ্যক্ষ ঃ— এতিয়া ২ নং কাৰ্য্যসূচী

Shri BINAI KHUNGUR BASUMATARI.—Sir, I beg to raise a matter under Rule 301 of the Rules of Procedure and Conduct cf Business in Assam Legislative Assembly relating to the news item appearing in the 'Sentinel', dated 6th January, 1986 under the caption "100 B. D. Os discharged."

Sir, it has been the practice with any Government of the State including the Janata Government and everyone to make use of the Regulations 3 (f) appointments. Sir, this was decided on 11th August, 1951 and this is a regulation specifing the matters in which it was found necessary to bring the Public Service Commissions under this heading of 3 (f), the contents are "when an appointment is to be made by direct recruitment to Temporary post created in a service, if it is necessary in the public interest that the appointment should be made immediately and reference to the Commission would cause undue delay provided that if the post has been sanctioned for, or is likely to last for more than four months, the Commission shall, as soon as possible, be consulted in all matters mentioned in sub-clause 3 of Article 320 of the Constitution.

Sir, this 3 (f) is supported by the Constitution itself and as per the provisions of this Constitutional rules the State Public Service Commission is Constituted in line with the Union Public Service Commission and has enabled the State Government to recruit people in time of emergency

and it was not a separate provision. Sir, I have with me a copy of Assam Government's letter, dated 17th June, 1985 from the Deputy Secretary to the Government of Assam addressed to the Secretary of the Assam Public Service Commission, Bhangagarh, Gauhati, Subject : Recruitment to the posts of Block Development Officer. I read the letter.

"Sir, I am directed to furnish herewith a revised draft advertisement for taking necessary steps for advertisement of the posts of Block Development Officer as per terms and conditions of the draft advertisement.

Government Notifications No. PDB. 13/81/22+, dated 10th October 1983, PDB. 13/81/237, dated 7th June 1984, and No. PDB. 21/85/PT/2, dated 29th January 1985, No. PDB. 21/85/22, dated 7th June 1984 and No. PDB. 21/85/PT/2. dated 29th January 1985 No. PDB. 21/85/22, dated 23rd February 1985, are also enclosed herewith for your ready reference."

Therefore, Sir, the demand for the B. D. Os. existed since and as early as on 10th October 1983. Now, as per the public statement of the Government we are told that these appointments were made with political motives. We agree Sir, there might be appointments made with political motives. If that be the case and if the new Government has decided to terminate all the 3 (f) appointments then these rules which I have just read out should also be withdrawn from the Union Public Service Commission Rules. For instance, there are so many appointments made since 1983 in Assam. In Assam Education Service 15 Nos. Gazetted posts, Instructors 2 Nos Demonstrators 30, in Public Health Engineering-Assistant Engineers in two lots one consisting of 73 and the other 74 Nos. Doctors-379 Junior Engineers (DRDA) 33 Nos in one lot, Assistant Instructor, Assam Education Service 380 Nos. Demonstors in Medical Service-30 Nos. Assistant Scientific officers 20 Nos. Forensic Science and Assistant Junior Medical Officers 50 Nos. etc. etc.

Mr. SPEAKER.—You please come to your point.

Shri B. K. BASUMATARI.—Sir, I am speaking under 301 and I am entitled to place my case.

As I was saying, Subject Teacher-1355, Assam Police D. S. P,—9.

Sir, this comes to more than 2376 appointments. Sir, we would be very pleased if those appointments also are considered to be political appointments and the Government take steps to scrap all these appointments. Then we will know that this Government is really just. Sir, we from the opposition were always trying and for the last 8 years I and my friends have tried to get adequate justice from the Govt. and the Govt. decided at last that there should be appointments in the State as per the population pattern and we had to fight it out to get the justice done towards to Scheduled Tribes and it was for the first time that the Government under various considerations agreed to fulfil the backlog also and in these appointments under 3 (f) for the first time in Assam Tribals were appointed as B. D. Os directly and I place these before this House for proper consideration.

মাননীয় অধ্যক্ষ ঃ– এতিয়া মাননীয় পঞ্চায়ত মন্ত্ৰীয়ে উত্তৰ দিব।

* Shri CHANDRA ARANDHARA.—(Minister Panchayat).—Sir, during the years 1983 to 1985, 58(fifty eight) Block Development Officers were appointed through different notifications of Government under Regulation 3 (f) of APSC (Limitation of Functions) Regulations, 1951 and posted in the Community Development Blocks in the State.

As per Rule, such appointments are purely temporary valid for (four) months. The period may be extended for a further period of 4 months at a time.

After careful review of the matter, Government found that the appointments of those 58 BDOs were not regular and that they should be discharged forth-with.

The appointments were made temporarily and until further orders subjeet to discharge without notice and without assigning any reasons of doing so.

The 58 (fifty eight) BDOs appointed under the aforesaid regulation had accordingly been discharged under Notification No. PDB 13/81/Pt-V/2, dated 16th January 1986 with immediate effect.

Assam Public Service Commission has been requested to advertise the posts of 58 BDOs immediately and

*Speech not corrected.

recommend names of suitable candidates for consideration of Government to fill up the vacancies, Appointments will be made as soon as recommendations of the APSC are recieved.

Shri ALTAF HUSSAIN MAJUMDAR.—Sir, On a point of clarification. Therefore, it is not true that 100 BDOS have been discharged but only 58 BDOs have been discharged.

Shri CHANDRA ARANDHARA, (Minister, Panchayat).—It is only 58 and not 100.

Shri BINAI KHUNGUR BASUMATARI.—In that case, may I request the Government to contradict the newspaper report ?

Shri CHANDRA ARANDHARA (Minister, Panchayat).—Government did not feel that every newspaper report should be contradicted.

Shri ALTAF HUSSAIN MAJUMDAR.—Under Regulation 3 (f) these appointments were made. The works of the Blocks were held up. So to break the deadlock and to expedite the development work and to spend the money provided by Government of India in time necessity of appointment under Regulation 3(f) was felt by the Government.

* Shri CHANDRA ARANDHARA (Minister, Panchayat).—My point is that all these appointments were irregular and under Regulation 3(f) only emergent and temporary appointments are made. Hon'ble Member should know that the appointment of BDO in a particular Block is not temporary, it is a permanent appointment. So, no irregularity will be entertained.

Shri ALTAF HUSSAIN MAJUMDAR.—Mr. Speaker, Sir, there are thousands and thousands of instances on the records of Government of Assam that under Regulation 3 (f) people were recruited whenever necessity arose and they had to appear in the Public Service Commission. APSC regularised their appointments and they are serving permanent Posts.

Mr. SPEAKER.—Order, Order.

*Speech not corrected.

Shri CHANDRA ARANDHARA (Minister, Panchayat).—Hon'ble Member should know that Panchayat Minister is concerned only with the Panchayat Department.

Shri ALTAF HUSSAIN MAJUMDAR.—Sir, they were Panchayat employees and they were required to sit before the Public Service Commission but the Government did not allow them to sit before the Public Service Commission. After allowing them to sit before the Public Service Commission, they should have been dismissed.

Shri A. F. GOLAM OSMANI.—Mr. Speaker Sir, regarding these appointments this is a very sorry statement that Government did not feel necessary to contradict incorrect press news. In view of the gravity of the situation I feel, the matter being of public importance, should have been contradicted by the Treasury Banch. Sir, it was seen in the press that it was alleged that these appointments were politically motivated. If so, Sir whether Government instituted any enquiry to find out whether there were manipulations, If the Government goes to strike down the appointments made by its predecessors on ground of political reason then all appointments made by them on temporary basis will meet the same fate. If the present Government is out of power their successor Government will also say that the appointments made by them were also political. There should be a balanced view in this type of problem. I feel that there may be scopes for this type of manipulation. There should also be an enquiry but these people should have been allowed to appear before the Public Service Commission.

* Shri CHARAN NARZARI.—Mr. Speaker Sir, this is a very serious matter of public importance, no doubt. When certain officers have been appointed under 3(f) Regulation it is not the fault of those who have been appointed by the Government. Now my question is that is it not obligatory on the part of the Assam Public Service Commission to regularise the appointments of those officers. If the Assam Public Service Commission is under constitutional obligation to take necessary steps to regularise appointments of those officers then why the APSC has failed in this matter? But the APSC has not discharged its constitutional obligation and held up the

*Speech not corrected.

matter. This is not the fault of the officers appointed. Now, when the present Government is going to discharge all these officers for no fault of their own it means they are simply victimised. So, will the present Government take a drastic step into the affairs of the APSC in case of appointments? Will the Hon'ble Panchayat Minister reply to this question? Or the Chief Minister will reply this question.

Shri CHANDRA ARANDHARA (Minister Panchayat).—Mr. Speaker Sir, Hon'ble Member should know that this case related to the years between 1983 and 1985. So, if APSC did not regularise these posts AGP Government should not be blamed. This is my point.

Shri CHARAN NARZARI.—We are not blaming.

Shri CHANDRA ARANDHARA (Minister, Panchayat).—These posts were created with vested interests and political motives. We did not feel the necessity to regularise these jobs.

## CONSTITUTION OF LEGISLATURE COMMITTEES

মাননীয় অধ্যক্ষ ঃ—অসমৰ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ২৫৯ নং নিয়মৰ অধীনত নিয়মাৱলী সমিতি গঠন কৰিবৰ কাৰণে নিম্নোল্লেখিত সদস্য সকলক মই মনোনীত কৰিলো।

১। শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ২। শ্ৰীপ্ৰদীপ গগৈ ৩। শ্ৰীকামাখ্য চৰণ চৌধুৰী ৪। শ্ৰীগোলোক ৰাজবংশী ৫। শ্ৰীশৰত চন্দ্ৰ সিংহ ৬। শ্ৰীমহিজিবৰ্দ্দিন আহমেদ ৭। শ্ৰীচৰণ নাৰ্জাৰী ৮। শ্ৰীহেমেন দাস।

অসম বিধান সভাৰ অধ্যক্ষ সমিতিৰ পদেন সভাপতি হব। সমিতিৰ কাৰ্য্যকাল সমিতি গঠিত হোৱাৰ তাৰিখৰ পৰা এবছৰৰ সময়ৰ বাবে হব।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩১২ (১) নং নিয়মৰ অধীনত নিম্নোল্লেখিত সদস্য সকলক সদন সমিতি গঠন কৰিবৰ কাৰণে মই মনোনীত কৰিলো ঃ—

১। শ্ৰীকমলা কলিতা ২। শ্ৰীকুমাৰ দীপক দাস ৩। শ্ৰীফণী ভূষণ চৌধুৰী ৪। শ্ৰীউত্পল দত্ত

৫। শ্ৰীহৰেন্দ্ৰ বৰা ৬। শ্ৰীগনেশ বৰো ৭। শ্ৰীশ্বাহিদুল ইচলাম ৮। শ্ৰীবলভদ্ৰ তামুলী

৯। শ্ৰীআবদুল বৰা লস্কৰ।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১৯৮ (১) নং নিয়ম অধীনত মই শ্ৰীকমলা কলিতাক সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিলো। সমিতিৰ কাৰ্য্যকাল সমিতি গঠিত হোৱা তাৰিখৰ পৰা এবছৰ সময়ৰ বাবে হব।

আবেদন সমিতি

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ২৩৯ নং নিয়মৰ অধীনত নিম্নোল্লেখিত সদস্য সকলক আবেদন সমূহৰ সমিতি গঠন কৰিবৰ কাৰণে মনোনীত কৰিলো।

১। শ্ৰীদেবেশ্বৰ বৰা ২। শ্ৰীকুসুম্বৰ টাইৱাণ (গগৈ) ৩। শ্ৰীদিলীপকুমাৰ শইকীয়া ৪। শ্ৰীমছিৰ উদ্দিন সেখ ৫। আব্দুল জেলিল ৰাগিবি

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১৯৮ (১) নং নিয়মৰ অধীনত মই শ্ৰীদেবেশ্বৰ বৰাক সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিলো। সমিতিৰ কাৰ্য্যকাল সমিতি গঠিত হোৱা তাৰিখৰ পৰা এবছৰৰ সময়ৰ বাবে হব।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ২৫৭ নং নিয়মৰ অধীনত চৰকাৰী আশ্বাস বোৰৰ সমিতি গঠন কৰিবৰ কাৰণে নিম্নোল্লেখিত সদস্য সকলক মই মনোনীত কৰিলো :—

১। শ্ৰীজয়নাথ শৰ্ম্মা ২। শ্ৰীভবেন বৰুৱা ৩। শ্ৰীবিনোদ গোৱালা ৪। শ্ৰীগনেশ কুটুম ৫। শ্ৰীআফজালুৰ ৰহমান ৬। শ্ৰীআব্দুল হামিদ মজুমদাৰ ৭। শ্ৰীচিলভিউচ কণ্ডপান।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১৯৮ (১) নং নিয়মৰ অধীনত মই শ্ৰীজয়নাথ শৰ্ম্মাক সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিলো। সমিতিৰ কাৰ্য্যকাল সমিতি গঠিত হোৱাৰ তাৰিখৰ পৰা এবছৰ সময়ৰ বাবে হব।

## DEBATES ON GOVERNOR'S ADDRESS

শ্ৰীজয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপাল মহোদয়ে যোৱা ইং ১০ জানুৱাৰী তাৰিখে বিধান সভাত যি ভাষণ দাঙি ধৰিছে তাত ৰাজ্যখনৰ প্ৰধান সমস্যা সমূহ দাঙি ধৰি এইবোৰৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰিব খোজা ব্যৱস্থাৰ এক বহল আভাষ দাঙি ধৰাৰ বাবে প্ৰথমে মই মাননীয় ৰাজ্যপাল ডাঙৰীয়ালৈ আন্তৰিক ধন্যবাদ জনাইছোঁ।

ৰাজ্যখনৰ সামাজিক জীৱনত এক বৈপ্লৱিক পৰিবৰ্ত্তন সূচনা কৰি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত এক নতুন চৰকাৰে শাসনভাৰ গ্ৰহণ কৰিছে আৰু সেই বাবে স্বাধীনতাৰ পিচত পোন প্ৰথমবাৰ অসমৰ ৰাইজৰ মনত অভূতপূৰ্ব আশা আকাংক্ষাৰ জাগৰণ হৈছে, যে এই চৰকাৰে ৰাইজৰ বহুদিনীয়া অভাৱ-অভিযোগ সমূহ দূৰ কৰিবলৈ সমৰ্থ হব। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণে এই প্ৰত্যাশাকে অতিশয় সফলতাৰে প্ৰতিফলিত কৰিছে।

১৬ ডিচেম্বৰত হৈ যোৱা নিৰ্বাচন এক গৌৰৱোজ্জ্বলৰ অভিলেখ। এই কথা আজি বিনা দ্বিধাই স্বীকাৰ কৰিছে। আমাৰ দেশৰ ইতিহাসত ১৬ ডিচেম্বৰ তাৰিখটোৱে এখিলা সোণালী পাতৰ সংযোজনা কৰিলে। নিৰ্বাচনটো চকুৰীয়ে চকুৰীয়ে প্ৰত্যক্ষ কৰা সকলে বিনা দ্বিধাই স্বীকাৰ কৰিব যে, সেই দিনা নিৰ্বাচনে যি নজীৰ দাঙি ধৰিলে, গণতান্ত্ৰিক জীৱন ধাৰাৰ প্ৰতি অবিচল বিস্বাসৰ তাতকৈ ডাঙৰ নজীৰ পোৱা নাযাব। গণতন্ত্ৰত নিৰ্বাচন হল আটাইতকৈ ডাঙৰ পৰীক্ষা। ঘণ্টাৰ পিচত ঘণ্টা শাৰীত থিয় হৈ ভোটাধিকাৰ সাব্যস্ত কৰা অসমৰ পুৰুষ মহিলা নিৰ্বিশেষে সকলোৱে এইবাৰ প্ৰমাণ কৰিলে যে যেতিয়া প্ৰয়োজন তেতিয়া গণতান্ত্ৰিক মূল্যবোধ ৰক্ষাৰ বাবে প্ৰাণ যেনেকৈ দিব পাৰে তেনেকৈ একেই কাৰণত শান্তি-শৃঙখলা পৰকাষ্ঠা দেখুৱাইও অসমৰ ৰাইজ ওলাই আহিব পাৰে।

এইবাৰৰ নিৰ্বাচন আৰু ১৯৮৩ ৰ নিৰ্বাচনৰ মাজত আকাশ পাতাল পাৰ্থক্য ওলাই পৰিছে। জনমতৰ বিৰুদ্ধে যেতিয়া নিৰ্বাচন পাতি গণতন্ত্ৰক প্ৰহসনত পৰিণত কৰিবলৈ বিচৰা হয়, তেতিয়া তাৰ

বিচাৰ জনসাধাৰণে পলমকৈ হলেও এদিন প্ৰতি উত্তৰ দিয়ে, সেই কথা সজোৰে প্ৰতীয়মান হল ১৬ ডিচেম্বৰত।

নিৰ্বাচনৰ পিচত ৰাজ্যখনত শান্তি শৃংখলাৰ পৰিবেশ ব্যাহত কৰাৰ বাবে বিভিন্ন চক্ৰৰ অপচেষ্টা চলিছে। আমাৰ নতুন চৰকাৰৰ সুদৃঢ় আৰু পক্ষপাতহীন কাৰ্য্য ব্যৱস্থাই ৰাজ্যখনত শান্তি-শৃংখলাৰ পৰিবেশ বজাই ৰখাত সহায় কৰিছে। সাম্প্ৰদায়িক উত্তেজনাৰো সৃষ্টি হোৱা নাই। নতুন চৰকাৰৰ নীতিয়ে হল সকলোৰে বাবে সমান দৃষ্টিৰ। অসামাজিক আৰু শান্তি বিনষ্টকাৰী চক্ৰবোৰক কঠোৰ হাতেৰে দমন কৰিবলৈ চৰকাৰে প্ৰতিশ্ৰুতিবদ্ধ। জনসাধাৰণৰ মাজত থকা পাৰস্পৰিক বুজাবুজি, সাম্প্ৰদায়িক সম্প্ৰতী আৰু শান্তিৰ সুস্থ পৰিবেশ কেতিয়াও ব্যাহত হবলৈ চৰকাৰে দিব নোৱাৰে। এই ক্ষেত্ৰত বিগত দিনকেইটাত নতুন চৰকাৰে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। এয়া গৌৰৱযোগ্য।

ৰাজ্য চৰকাৰৰ সন্মুখত এতিয়া প্ৰধান কাম হৈছে অসম চুক্তিৰ ৰূপায়ণৰ বাবে খৰতকীয়া ব্যৱস্থা গ্ৰহণ আন সকলোবোৰ প্ৰত্যাশাতকৈ এটা প্ৰত্যাশা অসমৰ ৰাইজৰ বাবে আটাইটতকৈ ডাঙৰ। চুক্তিত সন্নিবিষ্ট ব্যৱস্থা অনুসৰি বিদেশী অনুপ্ৰবেশকাৰী সকলে অসম তথা ভাৰত এৰিব লাগিব, অনুপ্ৰবেশ-কাৰী সকলৰ চিনাক্তকৰণৰ কাম সোনকালে আৰম্ভ হব লাগিব। আৰু এক নীৰৱ নিপানী পদ্ধতিৰ যোগেদি অনুপ্ৰবেশকাৰী সকল অসম এৰাৰ কাৰ্য্যকৰি ব্যৱস্থা লব লাগিব। ইয়াৰ লগে লগে অবৈধ প্ৰবজন সকলো কালৰ বাবে বন্ধ কৰিবলৈ সীমান্তত কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ৰাজ্যপালৰ ভাষণে, এইবোৰ ক্ষেত্ৰত নিৰ্দিষ্ট প্ৰতিশ্ৰুতি দাঙি ধৰিছে। চুক্তিখনৰ সকলো বোৰ দিশ কাযকৰী কৰাৰ ওপৰত ৰাজ্যখনৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। ইতিমধ্যে ৰাজ্য চৰকাৰে কিছুমান দিশত কাম কৰিছে আৰু কৰ্ম্মচাৰী সকলৰ বিৰুদ্ধে থকা আটাইবোৰ শাস্তিমূলক ব্যৱস্থা উঠাই লৈছে। যদিও চুক্তিখনত স্বাক্ষৰ যোৱা ১৫ আগষ্টতে হৈছিল, তথাপি, চুক্তিখন কাৰ্য্যকৰী কৰাৰ বাবে আগৰ চৰকাৰে আন্তৰিকতা দেখুৱা নাছিল। আৰু চুক্তিখন বাশচাল কৰাৰ বাবেই সেই চৰকাৰে প্ৰকৃততে কাম কৰি গৈছিল। চুক্তিখন সংখ্যালঘু সকলৰ বিৰুদ্ধে এনে এক মনোভাব আগৰ চৰকাৰৰ নেতৃবৃন্দই গঢ়ি তুলিছিল আৰু চুক্তিখন কাৰ্য্যকৰী কৰিব নোৱাৰা অৱস্থা এটা সৃষ্টি কৰাৰ বাবে চৰকাৰ খন অগ্ৰসৰ হৈছিল। সৌভাগ্যৰ কথা : জনসাধাৰণে শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ৰাইজৰ চৰকাৰ এখন পাতি দিছে। এই চৰকাৰে অসমত বসবাস কৰা সকলোবোৰ খিলঞ্জীয়া জনগোষ্ঠীৰ সহযোগেৰে সৈতে ৰাজ্যখনৰ ৰসবাস কৰা সকলো ভাৰতীয় লোকৰ আন্তৰিক সহযোগিতাৰ মাজেদি অসম চুক্তিত কাৰ্য্যকৰী কৰিবলৈ অগ্ৰসৰ হৈছে।

স্বাধীনতাৰ পিচত ক্ৰমে ক্ৰমে আমাৰ জাতীয় জীৱন পঙ্গু কৰি তোলা হৈছে, দুৰ্নীতি, অসততা আৰু অনিয়মৰ বোজাৰ। যোৱা কেইবছৰত এইবোৰ সকলোবোৰ সীমা লংঘন কৰিছে। নাৰ্য্য খিনি আদায় কৰাৰ বাবে, অনিয়মৰ আশ্ৰয় ললেহে নোহোৱা পৰিস্থিতি এটাৰ সৃষ্টি কৰা হল। যোৱা কেইবছৰত, বিশেষকৈ ১৯৮৩ চনৰ নিৰ্বাচনৰ পিচত এনে এটা বিভাগ নাই যত দুৰ্নীতি কাঠফুলা হৈ উঠা নাই। পাঠশাল সকলৰ শিক্ষকৰ চাকৰি এটাৰ বাবেও ১০।২০ হাজাৰ টক উপযুক্ত স্থানত মাননী দিবলগা হৈছে। উদাহৰণ দি শেষ কৰিব পৰা নাযাব, ৰাজ্যৰ বনাঞ্চল নিৰ্বিবাদে ধ্বংস কৰা হল-কোষাগাৰলৈ কিমান পইচা আহিল? পানীৰ দৰে সস্তা দৰত কাঠবোৰ বেছি শেষ কৰা হল -পইচা নাহিল কোষাগাৰলৈ। কিন্তু বহুতৰ ব্যক্তিগত পুজি শকত হল। এইবোৰ কথা সকলোৱে জানে, গোপন ৰুলিবলৈ একোৱেই নাই, সেইটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। দুৰ্নীতিৰ যোগেদি জেপ শকত কৰা সকল তিৰিঘিলাঘিলাই ফুৰিব পৰা হল। যোৱা কেই বছৰৰ ৰাজনৈতিক সংস্কৃতিয়ে এনেকুৱা এক দুৰ্ভাগ্যজনক পৰিবেশ জনম দিছে।

জলসিঞ্চনৰ নামত কিছুমান ৰাজনৈতিক নেতা, দুৰ্নীতি পৰায়ণ বিষয়া, ঠিকাদাৰৰ ব্যক্তিগত "ধনসিঞ্চন" হল। গড়কাপ্তানি বিভাগৰ দায়িত্বহীনতাৰ বাবে ৰাস্তা পকা হবলৈ মঞ্জুৰ কৰা টকাৰে নিজৰ ঘৰ পকা হল।

বন বিভাগৰ দুৰ্নীতিৰ সীমা নিৰ্নিত কৰিব নোৱাৰা অৱস্থালৈ গৈছে। অসমৰ বৰ্নানিত বিনা দ্বিধাই মূল্যবান গছ গছনি কাটি বন সম্পদ ধ্বংস প্ৰায় অৱস্থালৈ নিলে। পূৰ্বৰ চৰকাৰৰ বন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী আৰু বিষয়া সকলে নীতি নিয়মলৈ আওকান কৰি ইচ্ছানুসাৰি যাকে যেনেকৈ পাৰে তাকে তেনেকৈ গছ কটাৰ অনুজ্ঞাপত্ৰ দিছিল, খৰিৰ নামত মূল্যবান কাঠ নিবলৈ দিয়া হৈছিল। বন বিভাগৰ সকলো স্তৰতে বিষয়া, কৰ্মচাৰী স্বেচ্ছাচাৰী ভাবে দুৰ্নীতিত লিপ্ত হৈছিল। চুৰ কৰি গছ কাটিবলৈ দিয়াৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰে সকলো পৰ্য্যায়তে দুৰ্নীতি "প্ৰতিৰোধ" কৰাৰ পৰিবৰ্ত্তে দুৰ্নীতিক "প্ৰতিৰক্ষাহে" দিছিল।

কিন্তু আমাৰ চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে যুদ্ধ দিবলৈ দৃঢ় প্ৰতিজ্ঞ। দুৰ্নীতিত লিপ্ত সকলক কঠোৰ শাস্তি দিয়াৰ বাবে ব্যৱস্থা কৰাৰ প্ৰয়োজন আহি পৰিছে। এই ক্ষেত্ৰত আইনৰ ব্যৱস্থা সমূহ অধিক কঠোৰ কৰি তোলাৰ বাবে প্ৰয়োজন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। দুৰ্নীতিয়ে শিপা লোৱাৰ পিচত আমোলাতন্ত্ৰ হৈ পৰিছে দুৰ্বল, অক্ষম আৰু স্থবিৰ। আমোলাত প্ৰগতিশীল কৰি তোলাৰ বাবে প্ৰয়োজনীয় সংস্কাৰ আৰু অন্যান্য ব্যৱস্থাৰ কথা ৰাজ্যপালৰ ভাষণত উনুকিউৱা হৈছে।

ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে বিধি ব্যৱস্থা দাঙি ধৰা হব। এই সকলোবোৰ ব্যৱস্থাই নতুন এক উন্নতিৰ সোপান ৰচনা কৰিব। সকলোবোৰ বন্ধ উদ্যোগ পুণৰ সক্ৰিয় কৰি তোলাৰ বাবে চৰকাৰে ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰিছে। বছৰৰ পিচত বছৰ ধৰি এই উদ্যোগবোৰৰ বন্ধ হৈ পৰি আছে—আগৰ চৰকাৰে এইবোৰ সক্ৰিয় কৰি তোলাৰ বাবে কোনো ব্যৱস্থাই গ্ৰহণ কৰা নাছিল। নতুন চৰকাৰে শাসনভাৰ লৈয়ে শিলঘাটৰ মৰাপাট কল পুণৰ চলাইছে। অশোক কাগজ কল চলোৱাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এইবোৰ সঠিক পদক্ষেপ হিচাবে পৰিগণিত হৈছে।

নিবনুৱাৰ সমস্যা আমাৰ ৰাজ্যখনত ভয়াবহ হৈ উঠিছে। দৰাচলতে যোৱা বছৰ কেইটাত নিবনুৱা সকলৰ বাবে কৰ্ম্মস্থানৰ বিষয়টোৱে অগ্ৰাধিকাৰ কেতিয়াও নাপালে। কৰ্ম্মস্থানৰ ক্ষেত্ৰত দলীয় বিচাৰ বিবেচনাক আগস্থান দিয়া হল। যোগ্যজনক বঞ্চিতকৰা হল সকলো ক্ষেত্ৰতে। ইয়াৰ ফলস্বৰূপে অৰ্হতা সম্পন্ন আৰু অৰ্হতাবিহীন দুয়োশ্ৰেণীৰ নিবনুৱাৰ হাহুতাশ বাঢ়িল। আজি অসমত প্ৰকৃততে নিবনুৱাৰ সংখ্যা কিমান সেই কথা কোনেও কব নোৱাৰে। নিয়োগ বিনিময় কেন্দ্ৰবোৰৰ কাম কাজৰ পৰ্য্যালোচনা জৰুৰী হৈছে। গোটেই ব্যৱস্থাটোৰ পৰিবৰ্ত্তন আৱশ্যক হৈছে। তেহে লাখ লাখ নিবনুৱা বাবে কৰ্মসংস্থানৰ ব্যৱস্থা কৰিব পৰা হব। অৰ্হতা থকা বা নথকা দুয়োবিধ নিবনুৱাৰ আৰ্তবেদনাৰ স্বৰূপ পকেই। চৰকাৰে নিবনুৱা সকলৰ বাবে সুব্যৱস্থা কৰাৰ যথেষ্ট প্ৰতিশ্ৰুতি ৰাজ্যপালৰ ভাষণত দাঙি ধৰিছে। সকলো ক্ষেত্ৰতে জনশক্তি প্ৰয়োগ সৰ্বৰ্বৃহত কৰি তুলিব লাগিব ফলদায়ক ভাৱে। এনে কিছুমান আচনি গ্ৰহণ কৰিব লাগিব যিবোৰত মূলধনৰ বিনিয়োগ অতি কম, কিন্তু যিবোৰত যথেষ্ট পৰিমাণে জনশক্তি প্ৰয়োগ হয়। আধুনিকীকৰণৰ নামত শ্ৰমিস কৰ্ত্তনৰ জাতীয় সংকোচনমূলক ব্যৱস্থা সমূহত প্ৰশ্ৰয় দিয়াটো উচিত নহব। কাৰণ তাকে কৰিলে নতুনকৈ নিবনুৱাৰ সৃষ্টি কৰা হব। নিয়োগনীতিৰ মূল আধাৰ হব সেই বাবে জনশক্তিৰ সৰ্বৰ্বৃহত ব্যৱহাৰ। নিবনুৱা সকলৰ সমস্যা সমাধানত এই চৰকাৰে কোনো ত্ৰুটি কৰিব নোৱাৰে।

ৰাজ্যখনৰ ভিতৰত থকা চৰকাৰী বেচৰকাৰী সকলোবোৰ উদ্যোগ আৰু অন্যান্য প্ৰতিস্থানৰ দুৱাৰ থলুৱা নিবনুৱাৰ বাবে মুকলি থাকিব লাগিব। অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমত থকা কেন্দ্ৰীয় খণ্ডত থলুৱা নিবনুৱাৰ প্ৰতি অবিচাৰৰ ভাৱ ঘনীভূত হৈছে। উদাহৰণ স্বৰূপে অইল ইণ্ডিয়াৰ কথাই ধৰা যাওক যোৱা পাচ বছৰত এই উদ্যোগত থলুৱা নিবনুৰৰ নিযুক্তি নিচেই সামান্য। অইল ইণ্ডিয়াৰ বিভিন্ন টেকনিকেল শাখাত উপযুক্ত অৰ্হতা সম্পন্ন থলুৱা প্ৰাৰ্থীসকলক নিয়োগৰ পৰা বঞ্চিত কৰা হৈছে। আন্দোলনৰ সময়ত তেলবন্ধ কাৰ্য্যসূচী লোৱাৰ বাবে থলুৱা যুৱকৰ প্ৰতি এই অনীহা নেকি? ভাৰত চৰকাৰে এই উদ্যোগ সম্পূৰ্ণৰূপে নিজৰ হাতলৈ নিয়াৰ পিছত থলুৱা যুৱকৰ বাবে পথবন্ধ হোৱাৰ দৰে হৈছে। আনবোৰ ক্ষেত্ৰতো একেই কথা। থলুৱা নিবনুৱাৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে সকলোবোৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ নিয়োগৰ ক্ষেত্ৰত, ৰাজ্যিক চৰকাৰে উপযুক্ত পৰ্য্যবেক্ষন আৰু তদাৰক ব্যৱস্থা গঢ়ি তুলিব লাগিব।

চুবুৰীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লগত নতুন চৰকাৰে বন্ধুত্ব সম্পৰ্ক গঢ়ি তুলিবলৈ যত্নপৰ হ'ব বুলি ৰাজ্যপাল গৰাকীৰ ভাষণত দিয়া ইঙ্গিত আদৰণীয়। কাৰণ ওচৰচুবুৰীয়া ৰাজ্যৰ লগত সীমা বিবাদ দলীয় ৰাজনৈতিক কুটকৌশলৰ বাবে প্ৰয়োগ কৰা সচাকৈয়ে গৰিহণা যোগ্য। সীমা বিবাদ স্থায়ীভাবে সমাধান নকৰি এনেদৰে বিতৰ্কিত কৰি ৰখাৰ অন্তৰালত পূৰ্বৰ চৰকাৰৰ অসৎ মনোবৃত্তিৰ কথাকে সূচাইছে।

আৰক্ষী প্ৰশাসনক ৰাজনৈতিক দলীয় কামত কংগ্ৰেছ (আই)ৰ চৰকাৰে ব্যৱহাৰ কৰাটো সকলোৰে দৃষ্টিগোচৰ হৈছিল। দলীয় সভা অনুষ্ঠিত কৰিবলৈয়ো আৰক্ষী প্ৰশাসনৰ ব্যৱহাৰ কৰা হৈছিল।

সমাজক নিৰাপত্তা দিবলৈ এৰি আৰক্ষী প্ৰশাসনে কংগ্ৰেছ (আই) দলকহে নিৰাপত্তা দিছিল। চোৰ ডকাইত এৰি আন্দোলনকাৰীকহে খেদি ফুৰিছিল। আন্দোলনকাৰীৰ ওপৰত কৰা অতিচাৰৰ ওপৰত নিৰ্ভৰ কৰিহে আৰক্ষী বিষয়াৰ দক্ষতা নিৰ্ণীত হৈছিল। অত্যাচাৰী আৰক্ষী বিষয়াক বিভাগীয় পুৰস্কাৰ দিবলৈয়ো পূৰ্বৰ চৰকাৰে লজ্জাবোধ কৰা নাছিল। আৰক্ষী প্ৰশাসনক, জনসাধাৰণৰ সেৱা কৰিবলৈ নিদি কংগ্ৰেছ (আই) দলক সেৱা কৰিবলৈ লগাইছিল। আৰক্ষী বিভাগটো কংগ্ৰেছ (আই)ৰ ৰব প্ৰভুভক্ত কৰি তোলা হৈছিল। মানৱীয় আচৰণ আৰু ন্যায় অন্যায়ৰ কথা এই বিভাগটোৱে পাহৰি গৈছিল।

আমাৰ চৰকাৰে আৰক্ষী বিভাগক আধুনিকীকৰণ কৰি ৰাইজৰ ওচৰ চপাই এই বিভাগটোক ৰাইজৰ নিৰাপত্তাৰ বাবে, ৰাইজৰ সেৱাৰ বাবে, ৰাজহুৱা স্বাৰ্থ ৰক্ষাৰ বাবে আৰু মৌলিক ভাৱে আইন ৰক্ষাৰ বাবে ব্যৱহাৰ কৰিবলৈ লোৱা নীতি সচাঁকৈয়ে ধন্যবাদ যোগ্য। আমাৰ চৰকাৰে আৰক্ষী প্ৰশাসনক ন্যায় আৰু মানৱীয় আচৰণ শিকাব বুলি দিয়া আভাস অসমৰ জনগণৰ এক মঙ্গলজনক নীতি।

মাননীয় ৰাজ্যপাল গৰাকীৰ ভাষণত কাৰাগৰ সংস্কাৰ কৰিবলৈ যি আভাষ দিয়ে সেই সম্পৰ্কত কবলগীলা এই যে বন্দী সকলো মানুহ। কাৰাগাৰটো তেওঁলোক মানুহ হিচাপে জীয়াই থকাটো আমাৰ কাম্য। বন্দীৰ নামত মঞ্জুৰ হোৱা টকা কাৰাগাৰৰক্ষী বিষয়া সকলে আত্মসাৎ কৰাটো বন্ধ কৰিব লাগিব। বন্দী সকলক সংশোধন কৰক, উৎপাদনশীল কামত লগাওঁক আৰু তেওঁলোকৰ পুনৰ বাসনৰ বাবে চৰকাৰ আগ্ৰহশীল হওক বুলি কোৱা কথাও সচ কৈয়ে আদৰণীয়।

প্ৰচাৰ, তদাৰকী, অৰ্থনৈতিক উন্নয়ন আৰু পৰিকল্পনা, অনুসূচীত জাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ, পাৰ্বত্য অঞ্চলক উন্নয়ন, চৰ আৰু পিচপৰা অঞ্চলৰ উন্নয়ন, জিলা প্ৰশাসন শক্তিশালীকৰণ, প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ, আইন আৰু ন্যায়পালিকা আৰু আইনগত বিষয়, কৃষি উন্নয়ন, জলসিঞ্চন, পশুপালন, গ্ৰামোউন্নয়ন, চহৰ উন্নয়ন, সমবায়, অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান, মীন পালন, গড়কাপ্তানী, পৰিবহন বানানিয়ন্ত্ৰণ, শিক্ষা, ক্ৰীড়া, সংস্কৃতি, বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ, উদ্যোগ খাদী আৰু গ্ৰামোদ্যোগ, হস্ত তত আৰু বস্ত্ৰ শিল্প ৰেচম শিল্প, শ্ৰম আৰু নিয়োগ স্বাস্থ্য আৰু পৰিয়াল কল্যান, মহিলা আৰু শিশু উন্নয়ন, খোৱা পানী যোগান, ৰাজহ, বন, ভূমিসংস্কৰণ বিদ্যুৎ, খনি আৰু খনিজ পৰ্য্য নআদিৰ ক্ষেত্ৰত চৰকাৰে লব খোজা নীতিৰ সম্পৰ্কত ৰাজ্যপাল মহোদয়ৰ ভাষণত যি আভাষ দিছে সেই নীতি জনসাধাৰণৰ বাবে অত্যন্ত সময়োপযোগী হৈছে আৰু সেয়ে মই ৰাজ্যপাল মহোদয়ৰ ভাষণক আদৰণি জনাইছো আৰু মই উত্থাপন কৰা এই ধন্যবাদ সূচক প্ৰস্তাৱটো সদনে গ্ৰহণ কৰিব বুলি মই আশা ৰাখিছো।

শ্ৰীদেৱ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণক আদৰণী জনাইছো আৰু জয়নাথ শৰ্মাই উত্থাপন কৰা প্ৰস্তাৱটোৰ সমৰ্থন কৰি মই কব খুজিছো যে ৰাজ্যপালৰ ভাষণৰ মাজেদি অসমৰ ৰাইজে যি এক নতুন চৰকাৰ বিচাৰিছিল, সেই চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচত মুকলি আকাশৰ তলত মুকলি মনেৰে অসমৰ ৰাইজ ঘূৰি ফুৰিব পাৰিছে। আৰু নতুন চৰকাৰ গঠন হোৱাৰ পিচত আগতকৈ শতকৰা ২০০ ভাগ শান্তি প্ৰতিষ্ঠা হৈছে। এই শান্তি প্ৰতিষ্ঠাৰ পিচত আমাৰ চৰকাৰৰ কালৰ পৰা যিবোৰ কাম হাতত লোৱা হৈছে সেই কামবোৰ সৰ্ব্বতোভাৱে অতি প্ৰশংসনীয় হৈছে আৰু ৰাইজেও ইয়াক আদৰি লৈছে। এই ক্ষেত্ৰত নতুন চৰকাৰে ৰাজ্যপালৰ ভাষণৰ যোগেদি আমাৰ যিখিনি কৰ্ম্ম পদ্ধতি

সম্পৰ্ক আভাষ দিলে তাৰ ওপৰত ভিত্তি কৰি আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত যি কথা কোৱা হৈছে ১৯৮৩ চনৰ নিৰ্বাচনৰ পিচত ১৯৮৫ চনত যি নিৰ্বাচন হল সি আগতকৈ বহুত বেছি শান্তিপূৰ্ণ বুলি আমি দাবী কৰিব পাৰো। পূৰ্বৰ চৰকাৰৰ দিনত অসমত যি চি, আৰ, পিৰ আৰেষ্টনী কৰা হৈছিল সেই চি, আৰ, পিৰ সংখ্যা বহুত হাজাৰ আছিল। চৰকাৰে আইন শৃংখলাৰ নামত এই সকলক পোহ পালন দি আছিল আৰু দিনে ১৪ টকাকৈ এজন চি, আৰ, পিক দিব লগীয়া হৈছিল। এতিয়া এই নতুন চৰকাৰে চি,আৰ, পিক ঘুৰাই পঠিয়াইছে আৰু তাৰ পৰা বহুত হাজাৰ টকা ৰাইজৰ ৰাহি হল বুলি আমি কব পাৰো। এই ক্ষেত্ৰত আমি আৰু গৌৰৱ কৰিব পাৰো যে আজি আমাৰ মন্ত্ৰী বিধায়ক সকল পুলিচৰ ৰক্ষণা-বেক্ষণত থাকিব নালাগে আগৰ চৰকাৰৰ দিনত বিধায়ক মন্ত্ৰী সকলো পুলিচৰ ৰক্ষণা-বেক্ষণতহে থাকিব লগীয়া হৈছিল। জনগনে আজি মুকলি আকাশৰ তলত মুকলি মনেৰে দিছপুৰৰ বিভিন্ন ঠাইত মন্ত্ৰী সকলক লগ ধৰিব পৰা অৱস্থা হৈছে। গতিকে এই ক্ষেত্ৰত অসমৰ ৰাইজে নিজৰ অভাৱ অভিযোগ বিলাক সহজ ভাবে জনাব পৰা হৈছে। ই অতি প্ৰশংসনীয় হৈছে। কৰ্ত্তন খৰছৰ বাবে ৰাহি কৰাৰ যি নিয়ম প্ৰণালী অনা হৈছে এই ক্ষেত্ৰত জনসাধাৰণ সন্তুষ্ট হৈছে। জনসাধাৰণৰ সহযোগ অবিহনে আইন-শৃংখলা বৰ্ত্তি থাকিব নোৱাৰে। এই কথাটো আগৰ চৰকাৰে যিখিনি কাৰ্য্যকলাপ কৰিছিল। তাৰ ফলত বহুতো বিজ্ঞাপন দেখা পোৱা গৈছিল আৰু তাত বহুতো অভিলেষ সৃষ্টি কৰাৰ কথা কোৱা হৈছিল। কিন্তু গাঁৱে-ভুঞে ঘূৰিও এতিয়া সেই অভিলেখৰ একো দেখা আমি নাপালো।

অৰ্থাৎ এই পাৱাৰ চাপ্লাই ক্ষেত্ৰত আগৰ চৰকাৰৰ যি প্ৰকল্প আছিল সেই প্ৰকল্প মতে আগৰ চৰকাৰে কোনো পাৱাৰ প্ৰডাকচন বৃদ্ধি কৰা নাই। পথাৰে পথাৰে লাইন টানি কেৱল আৰু কেৱল দেখুৱা হৈছে। চালেকাঠি প্ৰকল্পটোৰ উৎপাদন ক্ষমতা এতিয়ালৈকে বঢ়াব নোৱাৰিলে। সেই পৰিপ্ৰেক্ষিতত আকৌ কুৰি দফীয়া কাৰ্য্যসূচীৰ কামত ভাৰত চৰকাৰে ভাৰতবৰ্ষৰ সকলো গাওঁতে ১৯৯০ চনৰ ভিতৰতে বিজুলি যোগান ধৰা হব বুলি ঘোষণা কৰিলে। তাকে দেখি আমাৰ অসমতো ঢাক ঢোল তৰোৱাল বজোৱা হল আৰু কলে যে ২ হাজাৰ চনৰ ভিতৰতে সকলো গাওঁতে বিজুলি সম্প্ৰসাৰিত কৰা হব। কিন্তু ঘোষণা ঘোষণাতে থাকিল। এই ক্ষেত্ৰত ৰাজ্যপালৰ পৰিকল্পনা ঘোষণা কৰিছে তাক আমি আদৰণি জনাইছো। এই ক্ষেত্ৰত আমি যি দেখিছো অহা দুই হাজাৰ চনৰ ভিতৰতো আমাৰ গাওঁ অঞ্চলত বিজুলি সম্প্ৰসাৰিত নহব। ১৫০ মেগাৱাটৰ পৰিবৰ্ত্তে যদি ১৯০ মেগাৱাটৰ আৱশ্যক হয় তেন্তে সেইটো সম্ভৱপৰ নহব। ১৯৭৯-৮০ চনত এভেইলিবিলিটি অৱ পাৱাৰৰ ১২৬৬ মেগাৱেটৰ ঠাইত চৰ্টফল হৈছে ২২০৭ মেগাৱট আৰু এই চৰ্টফল এতিয়াও আছে। এইক্ষেত্ৰত আমাৰ আগৰ চৰকাৰৰ দিনতে যে এই বিদ্যুৎবোৰ্ডে যথেষ্টখিনি লোকচান কৰিলে সেই সম্পৰ্কে আমাৰ কব-লগীয়া আছে। এই বোৰ্ডে অ, এন, জি, চিক বিদ্যুৎ কনজামচন কৰিব দিছিল, ১৭ পইচাকৈ এক ইউনিটত। আৰু ঠিক তেনেকৈয়ে তেওঁলোকৰ কাৰণে চুক্তি কৰি দিয়া হৈছিল। কিন্তু আচৰিত কথা অ, এন, জি চিক১৭ পইচাত চুক্তি কৰি দিছে কিন্তু অসমৰ মানুহে ডমেষ্টিক কনজামচনৰ কাৰণে পাৰ ইউনিট ছাপন্ন পইচাকৈ দিব লাগে। তেনেহলে অ, এন, জি, চিক সোতৰ পইচাকৈ দিয়াৰ কি কাৰণ থাকিব পাৰে। এই ক্ষেত্ৰত বিদ্যুৎ বোৰ্ডে যথেষ্ট লোকচান ভৰিব লাগে। লোকচানৰ ইও এটা উদাহৰণ। আমি জনাত কোনো এজন বিষয়াৰ প্ৰমোচনৰ কাৰণে তেওঁক ভাল বোলাবলৈ ব্যক্তিগত স্বাৰ্থত এই চুক্তি কাৰ্য্যকৰী কৰা হৈছিল। গতিকে অমাৰ নতুন চৰকাৰে এই কথাটো পৰীক্ষা কৰি চোৱাটো নিতান্ত উচিত হব। ৰাজ্যপালৰ ভাষণত ডাউনষ্ট্ৰীম ইন্ডাষ্ট্ৰিৰ বিষয়ে উল্লেখ কৰিছে আৰু বঙ্গাই গাওঁৰ থাৰ্মেল পাওৱাৰ প্ৰজেক্টৰ পৰা পেট্ৰোলিয়ামৰ বাই প্ৰডাক্টৰ দ্বাৰা নতুন ইন্ডাষ্ট্ৰি খোলা হব বুলি ঘোষণা কৰিছে। অৱশ্যে এই ক্ষেত্ৰত আগৰ চৰকাৰেও ঘোষণা কৰিছিল। তেওঁলোকে টাস্ক ফোৰ্চ আদি কাৰ্য্য-সূচীও লৈছিল কিন্তু বাস্তৱত সি হৈ নুঠিল। আমি ভাবো অসমখনক সুন্দৰ আৰু সমৃদ্ধিশালী কৰি গঢ় তুলিবৰ কাৰণে ৰাজ্যপালৰ ভাষণত যি ঘোষণা কৰা হৈছে তাক আমি আদৰণি জনোৱা উচিত। ডাউনষ্ট্ৰীম উদ্যোগ আদি সমূহৰ যোগেদি অসমৰ সমূহ যুৱক-যুৱতী সকলে দীৰ্ঘম্যাদী উদ্যোগ সমূহত যাতে সুযোগ লাভ কৰিব পাৰে আৰু নিয়ুক্তি লাভ কৰিব পাৰে তাৰ কাৰণে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাত আমি আদৰণি জনাইছো। আমি জনাত কিছুমান ক্ষেত্ৰত সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰা হৈছিল যেনে কোকৰাঝাৰ, বটদ্ৰবা, তেজপুৰ, ডিফু আদি ঠাইত সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰা হৈছিল আৰু সেইমতে ঘোষণাও দিয়া হৈছিল। আমি খবৰ লৈছো আৰু গমো পাইছো যে এই কেন্দ্ৰ বিলাক এতিয়াও নামমাত্ৰে চলি আছে। চৰকাৰে তেওঁলোকৰ বিষয়া সকলৰ দ্বাৰা সত্ৰীয়া নাচৰ প্ৰশিক্ষণ দিছে। এই

সাংস্কৃতিক কেন্দ্ৰ বিলাক পাৰফৰমেৰ্টাৰ আৰ্টিষ্ট সকলৰ দ্বাৰাই চলাই আছে। আমাৰ নতুন চৰকাৰে ৰাজ্যপালৰ ভাষণৰ যোগেদি কালচাৰেল একটিভিটিজ স্পোৰ্টচ এন্ড ইয়থ বিষয়টোত বেছি জোৰ দিছে যাতে বাস্তৱত এই সংস্কৃতি সমূহক একত্ৰিত কৰিব পাৰে আৰু সাংস্কৃতিক কেন্দ্ৰ সমূহৰ উন্নতি সাধন কৰি হেৰাই যোৱা সংস্কৃতিক নতুনকৈ গঠন কৰিব পাৰে। কাৰণ জাতীয়তা গঠন কৰিবৰ কাৰণে সংস্কৃতিৰ প্ৰয়োজন। এই ক্ষেত্ৰত যাতে সকলো ঠাইতে বিজ্ঞান সম্মত সা-সজুলি, শব্দযান্ত্ৰিক সা-সজুলি আৰু পোহৰৰ সা-সজুলি সকলো বিলাক সাংস্কৃতিক অনুষ্ঠান থিয়েটাৰ আদিক যোগান ধৰিব পৰা যায় তাৰ ব্যৱস্থা নতুন চৰকাৰে কৰিব। কিন্তু সেইখিনিকে নকৰি আগৰ চৰকাৰে প্ৰচাৰ বিভাগৰ ওপৰত গুৰুত্ব দিয়াৰ দ্বাৰা ৰেডিঅ' টেলিভিশ্যন আদিৰ দ্বাৰা ফাকি কথাকৈ ভূৱা দি আছিল। গতিকে বাস্তৱমুখী কাৰ্য্যপন্থাত মনোনিবেশ কৰিব বুলি মই চৰকাৰক অনুৰোধ কৰিছো।

ৰাজ্যপালৰ ভাষণত ইলিট্ৰোনিকৰ বিষয়ে উল্লেখ কৰিছে। বৰ্ত্তমান যুগটো হৈছে ইলেকট্ৰোনিকৰ যুগ। ভাৰত চৰকাৰে ইলেকট্ৰোনিকচৰ ওপৰত বেচি গুৰুত্ব দিছে কিন্তু ইলেকট্ৰোনিকচত ভাগ লবৰ কাৰণে আমাৰ অসমত বিজ্ঞান সম্মত কাৰ্য্যকৰি প্ৰশিক্ষণৰ কাৰ্য্যসূচীৰ প্ৰয়োজন হব যিটো অসমত নাই। অসমত অৱশ্যে অসম চুক্তিতে আই, আই, টি, এটা প্ৰতিষ্ঠা কৰা হব বুলি ভাৰত চৰকাৰে ঘোষণা কৰিছে। তাৰ কাৰণে আমি আনন্দ পাইছো এই আই, আই, টিৰ কাৰণে সোনকালে চাইড চিলেকচন কৰি কাৰ্য্যত আগবাঢ়ি যাবলৈ আমি তৎপৰ হব লাগিব। আজি ভাৰতবৰ্ষত ইলেকট্ৰোনিকচত যি যি কাম হৈছে তাৰ উপযুক্ত সুবিধা আদায় কৰিব পাৰো তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। আজি কেৰেলাত কেলট্ৰন, উত্তৰ প্ৰদেশত আপট্ৰন আৰু মধ্যপ্ৰদেশত মেলট্ৰন নামৰ ইলেকট্ৰনিক উদ্যোগ গঢ়ি উঠিছে। অসমতো ইয়াৰ এটা নিগম হোৱা বুলি শুনিছো কিন্তু কাৰ্য্যত এই নিগমে ইকনোমিক ডেভেলপমেন্টৰ কাৰ্য্যসূচী লব পৰা নাই নিগমটো নামত হৈছে। কোনোবা এজনে ফিটা কাটি ইয়াক উদ্বোধন কৰিছে কিন্তু প্ৰকৃত অৱস্থাত ইয়াৰ কোনো কাৰ্য্যসূচী হাতত লোৱা হোৱা নাই। অসমৰ সকলো অঞ্চলৰ বাইজে যাতে সকলো ধৰণৰ উৎপাদনমুখী কাৰ্য্যক্ৰম ব্যৱস্থাৰ সহায় লৈ দুবেলা দুমুঠি খোৱাত উপকৃত হব পাৰে তাৰ ইঙ্গিত ৰাজ্যপালৰ ভাষণত পোৱাত মই আদৰণী জনাইছো। সকলো দিশ সামৰি লোৱাত ৰাজ্যপালৰ ভাষণত মই সম্পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

মাননীয় অধ্যক্ষ :— ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আহিছে তাৰ ওপৰত ছয়টা সংশোধনী আছে। এই সংশোধনী কেইটা আনিছে শ্ৰীএ, এফ, গোলাম ওচমানি, শ্ৰীঅমৃতলাল বসুমতাৰী, শ্ৰীদেৱান জয়নাল আবেদিন, শ্ৰীচিলভিয়াচ কন্ডপান, শ্ৰীহেমেন দাস আৰু শ্ৰীবিনাই খুংগুৰ বসুমতাৰী ডাঙৰীয়াই। এতিয়া সংশোধনী উত্থাপন কৰোতে মাননীয় সদস্য কেইজনে ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত অনা সংশোধনী এটাৰ পাচত এটাকৈ প্ৰস্তাৱ কৰিব। এতিয়া প্ৰস্তাৱ কৰিব মাননীয় সদস্য শ্ৰীএ, এফ, গোলাম ওচমানি ডাঙৰীয়াই।

*Shri A. F. GOLAM OSMANI.—That at the end of the Motion of thanks on the Governor's Address moved by Shri Zoii Nath Sarma the following be added :—

But regret to state that—

(1) in the Governor's address the actual state of affairs and its population pattern has not been fully and properly reflected;

(2) the Governor's address is self contradictory.

(3) the Governor's address is fully silent about the preblems of the minorities and about the formations of an Assam Minorities Development Board which he himself stated in his address in the floor of the House on March 6, 1985;

(4) on 10th January, 1986 in page No. 2 of the Address of the Governor's Statement "The law and order situation remained well under control despite various pressures and forces causing tension;"

(5) there was no mention in the Governor's address that uptil 13th December, the voter lists could not be supplied to the candidates and that nearly a million of Indian citizens name was deliberately excluded from the voter lists of 1985. The Governor also did not take cognigence of the fact that those Indian citizens who preferred appeal for non-inclusion/deletion of their names in the final electoral roll was not at all available for the public. Governor also did not take note of the fact that large scale unprecedented rigging both in polling and counting took place in collaboration with a section of high Government officials;

(6) there was no mention of introducing any bill in the Assembly in the Governor's address but on 10th January, 1986 Assam Repealing Bill, 1986 has been introduced, thereby the Government has ignored all the conventions of the House regarding introduction of any New Bill.

(7) when implementing the Assam Accord, the Governor stated that there will be speedy implementation of the Accord. But there is nothing in Governor's address to allay the apprehension and fear created in the minds of minorities religious, linguistic, ethnic and others, created by Assam Accord;

(8) the Governor's address is lacking about improvement of relation in between different communities living in Assam which has been jeopardised due to signing of Assam Accord without consulting with concerned communities living in Assam for years together;

(9) the Governor's address is contradictory in many points relating to the development and progress of Assam while comparing his 1986 address side by side;

(10) the Governor has stated nothing about the construction of Jogighopa and Bhomraguri Brahmaputra Bridge.

*Speech not corrected.

মাননীয় অধ্যক্ষ :— এতিয়া প্ৰস্তাৱ কৰিব মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই।

শ্ৰীঅমৃতলাল বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া অনুচ্ছেদ কেইটি যোগ দিয়া হওক যে :—

"কিন্তু অসম বিধান সভাই তলত দিয়া বিষয়বোৰ ৰাজ্যপালে ভাষণত উল্লেখ নকৰাৰ কাৰণে অসন্তোষ প্ৰকাশ কৰে।

(ক) গ্ৰাম্য স্বৰাজৰ ভেটি পঞ্চায়ত আৰু গ্ৰাম্য অৰ্থনৈতিক বিকাশৰ ভেটি গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায়।

(খ) যি সকলৰ খেতিয়েই জীবিকা, সেই কাৰণে যি সকলৰ মাটিয়েই জীৱিকাৰ সৰ্ব্বস্ব কেৱল সেই সকলক মাটি দি সংস্থাপন কৰাৰ বৈপ্লৱিক ভূমি নীতি।

(গ) চৰকাৰী মাটি আৰু বনাঞ্চল বেদখল হোৱাৰ কাৰণ, সেই সম্পৰ্কে অনুসন্ধান আৰু বেদখল নিবাৰণ।

(ঘ) যোৱা নিৰ্ব্বাচনৰ কাৰণে প্ৰস্তুত কৰা ভোটাৰ তালিকাৰ পৰা ব্যাপক হাৰে ভাৰতীয় নাগৰিকৰ নাম কৰ্তন আৰু ভোটাধিকাৰৰ পৰা বঞ্চিতকৰণ আৰু মনোনয়ন পত্ৰ দাখিল কৰাৰ শেষ দিনাখনলৈকে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ নোহোৱা।

(ঙ) চৰকাৰী বা বেচৰকাৰী নিয়োগৰ ক্ষেত্ৰত ৰাজহুৱা নীতি ঘোষণা।

Shri DEWAN JOYNAL ABEDIN.—That at the end of the Motion of thanks on the Governor's Address moved by Shri Zoii Nath Sarma the following be added:—

But regret that—

(i) the Hon'ble Governor's address does not make any reference to the plight of more than 9 lakhs of genuine Indian citizens of Assam whose names had been deleted from the electoral rolls through non judical processes and that—

settlement of the problem. Because country's unity and integrity is of topmost important. We are happy that for the foresightedness, vision and statesmanship of our Prime Minister has led to the signing of the Assam Accord. We stand by it. Sir, this Accord has not done any injustice to any section of the people. It is definitely met against the interest of minorities. Nobody can say they are victorious. Thanks to our Hon'ble beloved Prime Minister. But unfortunately, this Accord has been wrongly projected to minorites both linguistic and religious. Its implications have been wrongly interpreted to a section of the people, particularly the minorities by some interested quarters. There was little time between Accord and Election and thus we could not explain it to the minorities. It is not that the minorities are not with the Congress. The wrong projection of the Accord and its implication by some people of the minority community for some advantage created a fear psyche in the minds of the religious minorities in Brahmaputra Valley. This was exploited by some people. That the Accord was not against the interest of the minorities. Gradually, we find realisation coming gradually amongst minorities. The real problem lies elsewhere. The Accord has to be executed by the Government judiciously. So the whole question is how it is going to be executed. According to one Hon'ble member, the baby is in the lap of Hon'ble Chief Minister, Shri Prafulla Kumar Mahanta. Let us see how he nourishes the boy, the implementation of the Aceord must be Judicious. In our Election Manifesto, we expressed our support for the Accord. If the Government misuse its machinery and turns the Agreement into an instrument of oppression and harassment to minorities, we will certainly resist it. There should not be any harassment to Indian citizen with the help of the Accord. Eviction is done under specific Government Rule. It is nothing new and it is there in the Assam Land Revenue Manual. In the case of erosion affected people, they should be given an alternative site. So, the human problem should be fully taken into account. In the case of the landless people who are transpassing Government land and if they are to be evicted alternate land should be given for their rehabilitation.

Sir, we are sorry to note that the Governor's address does not mention the 20-Point Programme. The new 20-Point Programme provide greater thrust to the poverty

removal programmes and in improving the living condition of the rural poor and the weaker section of the society. It also emphasises increased production and productivity in the key sectors of economy. Though some schemes under 20–Point Programme are elaborated, I do not know why the Government is feeling shy to consider the 20-Point programme. The Government needs Central Government assistance for the purpose of 20-Point Programme. Will they not take this?

Sir, the money is given by the Government of India under 20–Point Programme. Certainly our Chief Minister is not going to refuse to have the money. So what is the harm in uttering the words 20-Point Programme. Let us know the attitude of the Government in the matter of 20–Point Programme. We would like to know from the hon'ble Chief Minister what is the attitude of this government. Sir, if somebody says that there was no achievement under this programme by the earlier government, probably we will be shutting eyes to the realities. Every government should devote wholeheartedly for the developmental works and you will be glad to know that so far under the 20 Point Programme, the State of Assam stood first in rating of several points during the Chief Ministership of Shri Hiteswar Saikia. Let me cite a few instances you will find that Assam stood first in the matter of supply of drinking water and Family Planning. This rating was done by the Planning Commission of the Government of India. So these are matters of record. Memory may be short, but records are there. Sir, considerable developments have taken place during the last few years. As you know there was abnormal situation in the State and the previous government had to concentrate maximum time for maintenance of law and order Inspite of that 6061 villages were prodvided with driuking water facilities. 5281 villages were electrified, 50 Primary Health Centres, 958 Health Sub-centres, 2760 Small Industries Development Corporation established, 7582 unemployed youths were given unemployed doles, 24662 persons were granted Old Age Pension, 15738 youths were given industrial loan, 73796 Old widows were given ducks, 31575 unemployed were given employment. Sir, let the present government surpass it as more money has been provided in 7th plan. To do good to the people is not the monoply of any party, whether it is Congress or others. Let the present government surpass it and I

will be very happy Sir, as I have already said the political personalities are changed but the officers are there.

Shri GOLOK RAJBANSHI.—Sir, our time may be extended to him.

Shri ALTAF HUSSAIN MAZUMDAR.—Sir, as Ihave said the very officers who are today advising the government were under the Congress government and doing the same job The same set of officers were under the Janata government as well. Sir, it is really sad that this government had hurriedly gone to dismiss 58 B.D. Os. It is unjust. Sir. B. D. Os. were recruited under the provision of law. It is not that they were arbitrarily recruited, There is a provision of recruitment under Regulation 3(f) and this is followed whenever necessity occrured and the same was followed by the earlier governments also, Sir, I am told that advertisement has been given for recruiment of B. D. Os. But 31st March is ahead. The works in the Blocks will be paralysed. So the previous government had to go for recruitment of B. D. Os. immediately as the blocks were without B. D. Os and Development works were held up. One of the Hon'ble member has rightly said that why this poor employees should be victimised. Yet there is time for the government to rectify and there is nothing wrong for the Government to rectify. a gross mistake and injustice.

Sir about transfer I will say a few words. It is the inherent right of the government to transfer officers. I do not dispute. But mass transfer at this time and ending part of financial yaer is not advisable. I think Government took hasty decision. I am afraid, probably it was in the mind of the government that those officers may not serve the Government well. I am sure with experience of the young Hon'ble Chief Minisier all his doubts will be disappeard. Sir, in a democracy if you demoralise the officers, you demoralise the whole administration because no governmant can function without the active cooproation of the officers. But if there is any bad or dishonest officer, you punish him, nobody will plead for him.

Sir, all the Members irrespective of parties who have been elected, naturally they have the responsibilities to work for the contituency. There is demand for dirinking water

power and to solve various other problems in Assam and the problems are more or less akin all over the State. I am sure this government will try to improve things. But let us not be too hopeful because we know that this government has also got limitation of resources. Anything and everything cannot be done overnight.

Sir, we have found by experience that in development works, the M. L. As should be associated. There should be constant watch and this watch should be by the public representative. The M. L. As should over see the development works in their respective areas and Blocks and this will definitely help the speedy development. I say this from my experience. I was in the floor of the Assembly for the fourthtime now.

Sir, in the Governor's address there is no mention of the Minorities Development Board. It should. not be given a good bye. So I would request thet Hon'ble Chief Minister to strengthen this Board which will go a long way to satisfy the minority people and the Chief Minister will also be able to know the real sufferings of the minorities through this Board.

I will refer to one matter of Silchar Municipality. There is in Silchar a Gandhi Mela takes place. Since long the affairs of the Gandhi Mela is looked after by Municipal Board of Silchar through a Committee. The proceedings of the meeting of the Board dated 22nd January 1980 were approved by the Government and a Committee was formed in that meeting to organise Gandhi Mela. It will be seen that this is a Committee composed of officials and members of the public and so on. It is surprising enough to find that this Ministry of Municipal Administration has suddenly overnight scraped it. But we are still surprised to find that D. C. was directed to form a Committee in consultation with one Nurul Alam Majumdar. Who is he? May we know from the Chief Minister. Let us know what is the relation of A.G.P. Government with this Shri Nurul Alam Majumdar. I don't blame the young Minister from Cachar. I donot have anything against him. He should have been given proper guidance. The point is that there are certain norms and formalities to be observed to do a thing in the Government otherwise people will blame the A. G. P. Government. I would request the Hon'ble Chief Minister to go through

affairs and find out how that private person is working on behalf of Government. It is known that everything cannot be looked after by a Minister but even then, it is to be pointed out as it is a very important matter. Sir, there is a festival of Mushlim called Fateh-a-I-Duaz-Daham which seems to have been omitted from the list of holidays. Last year also it was there. It might have been due to oversight. I request the Hon'ble Chief Minister to look into it.

Now, Sir, I refer to certain problems. As you all know the investigation for Barak Dam is already over. This dam will save Barak Valley from flood and relieve Government of making heavy relief after every flood almost in successive years. It will produce huge hydel power whtch is in short supply in the State. I would request the Chief Minister to take up the matter with Centre so that the project is commissioned.

Sir, we have suggested to the Government of India and also to Prime Minister that a broad gauge line from Lanka to Silchar is to be constructed which will serve Tripura, Mizoram, Manipur and Cachar and Karimganj also. We have also represented to Government of India and also to Prime Minister for Central university at Barak valley and also for construction of a bridge at Raniferryghat. I would request the Chief Minister to take up with Government of India.

There is one tea garden KHOREEL in Cachar which is closed with the result that a large number of workers are left jobless. This matter was taken up with the Labour Minister who assured us appropriate action in the matter who is no longer in the Ministry due to the ushering in a new ministry. Since a Government is in continuity, I would request the present Government to put into action the assurance given by the erstwhile Minister for the sake of these starving labours.

In the year 1984 there was a cyclone in the district of Cachar and a large number of schools were blown down to ground, We have represented to the Government of India for rendering relief to the people and schools affected by the natural calamities. I hope the Chief Minister will take it up with the Government of India

I do not know whether any intimation has by now reached to State Government in this respect from the Government of India.

Now Sir, I will refer to a matter which is also very serious. Our leader Shri Rajbanshi myself and party Chief whip Shri Condpan met the Hon'ble Chief Minister on 10th January and are thankful to him for his patient hearing. Sir, with every election a new Government come to power and there may be jubilation in that party workers. But unfortunately we found congress workers and supporters are assaulted, intimidated and their houses have been burnt in different parts of the State which is bound to the prestige of the Government since law and order is the State subject. It is the solemn duty of Government to mantion law and orders.

Government must provide security to person and property whioh are the prime concern of the Government. So, Sir, I would also like to draw the attention of the Home Minister because he is directly dealing with the police. Let him ask the police to stop all these. Oppression, assault and harassment to Congress workers. I can cite instances even in the heart of Guwahati and if this is happening at Guwahati you can well imagine what is happening in distant places and rural areas. Guwahati is the seat of the Government. Sir, despite earlier information to S. P., Guwahati, on 11th January 1986, the house as well as fittings, pipe connections, wash, basin everything of Shri D. N. Konwar general Sccy, A. P. S. C. damaged. A number of people went there variously armed. The people who went they are A. G. P. people. We do not know who they were. It is for the Home Minister to find out whether they are really A. G. P. or somebody else, it is for the Government to find out because they were shouting A. G. P. slogans. This has been done in the very eity and it is only 5 km from here. This is not the solitary case. Shri Prasanta Bhuyan, General Secretary of Meteka Bongaon MPCC was assaulted. There were a number of people who were assaulted. So these dark forces should be restrained; otherwise it will not be good for the State, it will tarnish the image of the Government.

I agree to what the members of Treasury Bench say. In the address of the Governor, these are the policy statement of the Government, say "Strict vigilance has been

maintained on the law and orders situation to ensure peace and amity among all sections of society and in all areas". We congratulate the Government for such statement. But if somebody says it is done for something which was said to have been done earlier then it is sad and I want to appeal to the Chief Minister and the Home Minister to stop these vandalism. Sir, I again offer all our co-operation for the good of the people.

* শ্ৰীনৰেশ তাঁতী :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ সমৰ্থন জনাই মই দুষাৰমান কৰলৈ ওলাইছো। প্ৰথমতে মই এটা কথা কও যে এইবাৰৰ ৰাজ্যপালৰ ভাষণখনত কিছুমান প্ৰশংসনীয় কথা উল্লেখ কৰা হৈছে যিবোৰ স্বাধীনতাৰ ৩৮ বছৰীয়া কালচোৱাত উল্লেখ কৰা হোৱা নাছিল।

অধ্যক্ষ মহোদয়, মই বিশেষকৈ এটা কথা কও যে অসমত যিবোৰ চাহ বনুৱা লোক আছে তেওঁলোকক জনজাতীয় লোক হিচাবে স্বীকৃতি দিব লাগে এই কথা ৰাজ্যপালৰ ভাষণত এনেদৰে উল্লেখ কৰা হৈছে

Welfare of Scheduled Castes, Scheduled Tribes and Other Backward Classes, Government will ensure that the development programmes cover fully the tea garden and ex-tea garden tribes.

আজি আমি ৰাজ্যপালৰ ভাষণৰ পৰা এইটো বুজি পাইছো যে এই লোক সকলক জনজাতিয় লোক হিচাবে স্বীকৃতি দিয়া হৈছে আৰু সেইবোৰে আমি সচাকৈয়ে আনন্দিত হৈছো।

অধ্যক্ষ মহোদয়, এইবাৰ ৰাজ্যপালৰ ভাষণত আমি কুৰি দফীয়া কাৰ্য্যসূচীৰ কথা দেখিবলৈ পোৱা নাই। ইয়াৰ কাৰণ কি? প্ৰকৃততে কবলৈ হলে কুৰি দফিয়া কাৰ্য্যসূচীৰ আধীনত আগৰ চৰকাৰে কিছুমান গছ পুলি ৰুইছিল। কিন্তু এটা গছ পুলি ৰুব যাওতে ১০ টা গছ পুলি কাটি তাত বেৰ দিয়া হৈছিল। সেইদৰে ভূমিহীন লোকৰ মাজত মাটি বিতৰণ কৰা কথাও আমাৰ সকলোৱে জানে। প্ৰকৃততে ভূমিহীন লোকৰ মাজত মাটি বিতৰণ কৰা হৈছিল নে? মই এটা কথা ন দি কব পাৰোযে এই আচনিৰ জৰিয়তে আগৰ চৰকাৰে চাহ মজদুৰৰ মাজত যি মাটি বিতৰণ কৰা বুলি ঢাক ঢোল বজাইছিল প্ৰকৃততে এজনো চাহ মজদুৰে এবিঘাও মাটি পোৱা নাছিল। কিন্তু আজি আমাৰ ৰাজ্যপালৰ ভাষণত যিখিনি কথা প্ৰকাশ পাইছে বা নতুন চৰকাৰে যি আচনি হাতত লৈ কাম কৰিবলৈ আগবাঢ়িব ইচ্ছা প্ৰকাশ কৰিছে তাৰ দ্বাৰা আমি সন্তোষ পাইছো আৰু আমাৰ বাইজেও এই চৰকাৰক এখন জনপ্ৰিয় চৰকাৰ হিচাবে মানি লবলৈ প্ৰস্তুত হৈছে।

অধ্যক্ষ মহোদয়, চাহ বাগানৰ বনুৱা সকলক লৈ আগৰ কংগ্ৰেছী চৰকাৰে বহুতো খেলা খেলিলে। তেওঁলোকক মাটি দিয়া ঘৰ দিয়া বুলি বহুতো কথাৰ ফুলজাৰি মাৰিলে। কিন্তু আপোনালোকে যদি চাবলৈ যায় তেনেহলে দেখিব তেওঁলোকক ঘৰ বান্ধি দিছে বাগানৰ মালিক সকলে, ৰাস্তা-পদুলি বান্ধি দিছে বাগানৰ মালিক সকলে। গতিকে আগৰ চৰকাৰে এই লোক সকলক কি দিছে? কংগ্ৰেছী চৰকাৰে তেওঁলোকক মাত্ৰ ভোটৰ সময়ত বিচাৰে আৰু প্ৰচুৰ পৰিমাণে চুলাই মদৰ যোগান ধৰি তেওঁলোকৰ পৰা ভোট আদায় কৰে আৰু বহুতো ঠাইত নানা অশান্তিৰ সৃষ্টি কৰে। ইয়াৰ বাহিৰেও আগৰ চৰকাৰে প্ৰাইমেৰী স্কুলৰ লৰা-ছোৱালীৰ মাজত পুষ্টিকৰ খাদ্য বিতৰণৰ নামত কিছুমান খিচৰী খোৱাৰ ব্যৱস্থা কৰিলে। যাৰ ফলত লৰা-ছোৱালী স্কুললৈ যাওঁতে লগত একোখনকৈ থাল লৈ যাব লগা হল। এনেবোৰ ঘটনা সচাকৈয়ে বৰ লাজৰ বিষয়। কিন্তু আমাৰ নতুন চৰকাৰে নতুন আচনি হাতত লৈ কাম কৰি যোৱাৰ ইংগিত ৰাজ্যপালৰ ভাষণত পোৱা গৈছে।

চৰকাৰে নতুন নীতি লৈ কাম কৰি যাব লাগে তেতিয়াহে আমাৰ চৰকাৰে ৰাইজৰ জনপ্ৰিয়তা আৰু বেছি অৰ্জন কৰিব। ৰাজ্যপালৰ ভাষণত আৰু এটা কথা যোগ দিব পাৰে আৰু তেতিয়া ভাল হব চাহ বাগিচাৰ মানুহবিলাকৰ কাৰণে কথা বিলাক চিন্তা কৰিবলৈ এটা ব্যৱস্থা কৰিব লাগে। আজি বিভিন্ন বিভাগ আছে। ৪৫ লাখ চাহ মজদুৰ আছে। এই বিলাক কাম-কাজ চোৱা চিতা কৰিবৰ কাৰণে এটা বেলেগ দপ্তৰ অৰ্থাৎ লেবাৰ চেল হব লাগে। এই লেবাৰ চেল হলে মজদুৰ সকলৰ প্ৰতি আৰু বেছি চকু দিব। বেলেগ বিভাগত এইবিলাক চাব দিয়াত অসুবিধা হয়। আগৰ চৰকাৰে এইবিলাক চিন্তা কৰা নাছিল, এতিয়া নতুন চৰকাৰে চিন্তা কৰি সদনত উত্থাপন কৰিছে। মই ৰাজ্যপালৰ ভাষণৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছো। আৰু এটা কথা হল সদনত যি কথা কয় তাক অসমীয়াত কলে খুব ভাল পাম। ইংৰাজীত কলে আমি বেয়া নাপাওঁ কম ভাল পাওঁ। বঙালীত কলে আমি বেয়া নাপাওঁ কিন্তু বুজি নাপাওঁ। বঙালী কলে ইন্টাৰপ্ৰেটৰ লাগে। এইখিনিকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাৰ লগতে মইও ৰাজ্যপালৰ ভাষণক আদৰণি জনাইছো আৰু লগতে দুই এটা কথা সদনত উত্থাপন কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসমৰ সুস্থ আৰ্থসামাজিক দিশৰ এটা চমু আভাস সন্দৰ্ভকে আমি পাইছো আৰু চৰকাৰৰ বিভিন্ন কাৰ্য্যব্যৱস্থাৰ নীতি সম্পৰ্কত এটা সুন্দৰ সুস্পষ্ট আভাস পাইছো। বিগত দিন কেইটাত নিৰ্য্যাতন ভুগি কষ্ট আৰু ত্যাগৰ ফলত আজি এখন সুস্থ চৰকাৰ গঠিত হৈছে। চৰকাৰ খনে পূৰ্ব্বৰ মুহূৰ্ত্তৰ পৰা অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ উন্নয়নৰ কাম কেনেকৈ কৰি যাব পাৰে সেই সম্পৰ্কত ৰাজ্যপালৰ ভাষণত সুন্দৰ বক্তব্য দাঙি ধৰা হৈছে। আজি সদনত মাননীয় সদস্য কেইগৰাকী মানে সংখ্যালঘুৰ ৰক্ষণা-বেক্ষণৰ কথা, চুক্তি কাৰ্য্যকৰী কৰাৰ কথা উল্লেখ কৰিছে। এইখিনি কথা উত্থাপিত হোৱাৰ যুক্তি নাই বুলি বিবেচনা কৰিছো। সামগ্ৰীক ভাবে অসমৰ ৰাইজৰ, অসমীয়া জনসাধাৰণৰ উন্নয়ন মানে সকলোৰে উন্নয়ন। সেই কাৰণে সংখ্যালঘুৰ কথা, চুক্তিৰ কথা সন্নিবিষ্ট কৰা নাই। জাতি ধৰ্ম্ম নিৰ্বিৰ্শেষে সকলোৰে উন্নতি হব।

এটা অটাইতকৈ ডাঙৰ কথা হল বিগত দিনত বিশেষকৈ কংগ্ৰেছ আমোলত যিখিনি দুনীৰ্তি হল আৰু ভুল নীতিৰ ফলত আচনি সমূহৰ বাস্তৱ ৰূপ দিয়াত অসুবিধা হৈ পৰিছিল। ৰাজ্যপালৰ ভাষণত এইটো কথা স্পষ্ট হৈ পৰিছে যে স্বাধীনতাৰ পৰবৰ্ত্তী কালছোৱাত যি দুনীৰ্তি হল সেইখিনি নাইকিয়া কৰাৰ কাৰণে এটা সুন্দৰ আভাস ৰাজ্যপালৰ ভাষণত দিছে যিটো অসমৰ ৰাইজে প্ৰশংসা কৰিছে আৰু আদৰণি জনাইছে। যদি দুনীৰ্তি আতৰ কৰিব পৰা নাযায় তেন্তে যিমানেই ভাল নীতি নলওক কামত সফল নহব। দুনীৰ্তি ইমানকৈ শিপাইছিল যে কোনোৱা অফিচৰ বাৰান্দাত ঠিয় হলে কথা পাতোতে পইচা দিব লগা অৱস্থা হৈছিল। প্ৰাইমাৰী স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ২০ হাজাৰকৈ টকা দিয়া হৈছে। আজি বাতিপুৱা এজন যুৱকে কৈছিল বিগত চৰকাৰৰ বিধায়ক এজনক যোগান বিভাগৰ এচ ,আই পোষ্টৰ কাৰণে তিনি বিঘা মাটি বিক্ৰি কৰি ১৫ হাজাৰ টকা দিছিল। কিন্তু যুৱকজনে চাকৰিটো নাপালে। একোজন বিধায়কে প্ৰাইমাৰী স্কুলৰ শিক্ষক পদৰ কাৰণে ২০ হাজাৰকৈ টকা লৈছিল। শিক্ষা বিভাগত ইমান দুনীৰ্তি হৈছে যে ভাবিব নোৱাৰি। যিমানেই ভাল শিক্ষা নীতি নলওক দুনীৰ্তি আতৰ কৰিব নোৱাৰিলে অসুবিধা হয়। এটা কথা দাঙি ধৰিব বিচাৰিছো— মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে সমষ্টিৰ ৰাইজৰ অভাৱ অভিযোগৰ খতিয়ান লবলৈ গৈছিলো। তেতিয়া দেখা পাইছো বানপানী আৰু প্ৰাকৃতিক দুৰ্যোগত নামত দিয়া সাহায্যৰ বিষয়ে ৰাইজে বহুত বক্তব্য দাঙি ধৰিছে। চাল বেৰ নোহোৱা প্ৰাইমাৰী স্কুলঘৰ। যিবিলাকৰ ঘৰৰ অভাৱত মচজিদ নামঘৰত সংঘত পঢ়াই আছে, সেইবিলাক স্কুলৰ নামত এক পইচা মঞ্জুৰ হোৱা নাই। এলিমেণ্টৰী বৰ্ড পাতি ঘৰ দুৱাৰ ভাল থকা, টিনপাত থকা স্কুলক ৪৫ হাজাৰ টকাকৈ মঞ্জুৰী দিছে। যিবিলাক স্কুলে মঞ্জুৰী পাব লাগিছিল সেই বিলাকে এই পইচাও পোৱা নাই। বিগত দিনত এই ধৰণেৰে চলিছিল। চাল বেৰ থকা স্কুলতো চেংচন দিলে ঘৰ বান্ধিব নালাগে আৰু তেতিয়া মন্ত্ৰী এম, এল, এই মিলি পইচা খাব পাৰে।

এই এমহীয়া চৰকাৰটোৰ ওপৰত বোজা জাপি দি বহুত ধৰণে আক্ৰমন কৰাৰ দৃষ্টিভঙ্গি আমি দেখিবলৈ পাইছো। তেখেতে সকলৰ গঠণমূলক দৃষ্টিভঙ্গি গ্ৰহণ কৰাত আমাৰ আপত্তি নাই। কিন্তু এমহীয়া এটা চৰকাৰক দোষী সাব্যস্ত কৰি ধৰ জলাইছে অমুক কৰিছে ইত্যাদি কোৱাত বা জাপি দিয়াত আমাৰ আপত্তি আছে। সামগ্ৰীক ভাবে দেশখনৰ আইন শৃংখলা ৰক্ষা কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিজ্ঞাবদ্ধ। কিন্তু বিগত দিন কেইটাত আমি কি দেখিবলৈ পাইছো ?

In the name of law and order people are harassed like anything and there is no language to express it. এনেকুৱা অৱস্থাও হৈছে কিছুমানলোকে ব্যক্তিগত প্ৰৰোচনাত পৰি আইন শৃংখলা ৰক্ষা কৰাৰ নামত জনসাধাৰণৰ ওপৰত অত্যাচাৰ জাপি দিয়া হল। আনকি বহুতো লোকৰ ওপৰত অপপ্ৰচাৰ জাপি দিছে। মাননীয় সদস্য গৰাকীয়ে কৈছে যে তেখেতে এই বিলাক এ, জি, পিৰ মানুহে কৰা বুলি শুনিছে বা কৈছে। এই বিলাক অপবাদৰ বাহিৰে একো নহয়। অসম গণপৰিষদ চৰকাৰ এখন সম্পূৰ্ণ নিকা প্ৰকৃত সুন্দৰ আৰু অসমৰ সকলো জনগোষ্ঠিকে সামৰি লৈ সুন্দৰ সুস্থ সমাজ এখন গঢ়ৰ পৰিকল্পনাৰে গঠণ হোৱা চৰকাৰ। অসম একৰ্ড সম্পৰ্কে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাতো প্ৰশংসনীয় বিষয়। ইয়াক সম্পূৰ্ণ বাস্তৱ ৰূপ দি অসমীয়া জাতিৰ ভৱিষ্যত নিৰাপত্ত বাট সুচল কৰিব লাগিব। এই অসম একৰ্ডৰ কাৰণে আজি ৬০৬ জন স্বহীদ হল, হাজাৰ হাজাৰ লোক ঘুনীয়া হল। আমাৰ দেশৰ আবাল বৃদ্ধ বনিতা ৰাজপথলৈ ওলাই আহিল। ৰাজপথ তেজেৰে ৰঙালি হল। তেওঁলোকৰ সেই তেজৰ মূল্য অথলে যাব নোৱাৰে। এই একৰ্ডৰ সম্পূৰ্ণ ৰূপ দিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ আৰু সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণক মই আদৰণি জনাইছো। আগৰ চৰকাৰে নিৰাপত্তাৰ নামত যিবিলাক কাম কৰিলে সি প্ৰহসন আৰু ভিত্তিহীন কথা। মই অসমৰ সামগ্ৰীক ভোটিং পেটাৰ্নৰ কথা কৈছো বিশেষকৈ মই যিটো সমষ্টিৰ পৰা অহিছো সেই সমষ্টিটোৰ কথাকে কৈছো। আইন শৃংখলা মুক্ত হোৱা বাবে এইবাৰ নিৰ্বাচনত বাইজে হাজাৰ হাজাৰ লোকে শাৰিপাতি ভোটদান কৰিছে। কিন্তু কংগ্ৰেছৰ আমোলত আইন শৃংখলাৰ নামত নিৰ্বাচনৰ সময়ত ১৯৮৩ চনত হাজাৰ হাজাৰ লোকক গুলীয়াই হত্যা কৰা হৈছিল। নিৰ্বাচনৰ কেন্দ্ৰৰ পৰ মানুহ আতৰি আহিছিল, কাৰণ অবৈধ নিৰ্বাচন আছিল। কিন্তু সেই নিৰ্বাচনত এইটো সমষ্টিত মাত্ৰ ২৬৬ টা ভোট পায় তাৰ বিধায়ক জন বিশ্বৰ সৰ্ব্ব শক্তিশালী গণতান্ত্ৰিক দেশ এখন ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰী হৈছিল। এইয়া কি গণতন্ত্ৰ ৰক্ষাৰ কথা নেকি ? এইয়া হাস্যকৰ কথা নহয় জানো ? এয়ে আছিল সেই সময়ৰ আইন শৃংখলা ৰক্ষা কৰা।

উদ্যোগৰ ক্ষেত্ৰত বৰ্ত্তমান আমাৰ চৰকাৰে যি নীতি গ্ৰহণ কৰিছে তাক ৰাজ্যপালৰ ভাষণত আভাষ দিছে। অসমত এগ্ৰো বেচ ইকনোমিক উদ্যোগ গঢ়ি উঠিব লাগে। কৃষিৰ ওপৰত গুৰুত্ব দি আমি লাৰ্জ স্কেল উদ্যোগ গঢ়ি তুলিব লাগে, আমি খেতি, পথাৰত বেছি গুৰুত্ব দিব লাগিব। ৰাজ্যপাল মহোদয়ে কেপিটেল ইনটেন্চিভ উদ্যোগকৈ লেবাৰ ইনটেন্চিভ উদ্যোগৰ ওপৰত বেশি গুৰুত্ব দিছে। কাৰণ এই উদ্যোগৰ দ্বাৰা অসমত নিবনুৱা সমস্যা সমাধানৰ পথ বেছি প্ৰশস্ত হব। এই ক্ষেত্ৰত আমি এটা সুন্দৰ ছবি ৰাজ্যপালৰ ভাষণত দেখিছো। আজি ২০ দফীয়া কাৰ্য্যসূচীৰ কথা কোৱা হৈছে। কুৰিদফীয়া আচঁনিৰ দ্বাৰা দেশখনৰ উন্নতি হব নালাগে বুলি আমি কোৱা নাই। কিন্তু আমৰ ৰাজ্যত কুৰিদফীয়া আচঁনিৰ নামত ভেকোভাওনা কৰা হৈছে ৰাইজক বিপথে পৰিচালিত কৰা হৈছে। ৰাজীৱ গান্ধীয়ে বেয়া পোৱা যেন অনুমান হলে কুৰিদফীয়া কাৰ্য্যসূচীৰ প্ৰদৰ্শনী পাতি দেখুওৱা হৈছে। আচলতে কাৰ্য্যতঃ সেইটো একো হোৱা নাই। সেই কাৰণে অৰ্থনৈতিক উন্নয়নৰ কাৰণে বিভিন্ন যিবিলাক কল কাৰখানা তলাবন্ধ হৈ আছিল সেই কল কাৰখানা বিলাক খোলাৰ ব্যৱস্থা কৰা হৈছে। যাতে অসমৰ শ্ৰমিক জনসাধাৰণে দুবেলা দুমুঠি খাই জীয়াই থাকিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে অশোক পেপাৰমিল খোলাৰ ব্যৱস্থা কৰা হৈছে আৰু শিলঘাটৰ জুটমিল খুলি দিয়া হৈছে। চন্দ্ৰপুৰৰ সূতাকলৰ কথাও চিন্তা কৰা হৈছে। এই কল কাৰখানা বিলাক মই দৃঢ়ভাৱে কব পাৰো বিগত কালচোৱাত কেইজন মান এম, এল, এ মন্ত্ৰীয়ে লগহৈ পুজিপতি সকলৰ হাতত চমজাই দিবলৈ চেষ্টা চলাইছিল। আমি তেতিয়া বাধা দিছিলো। মালিকি স্বত্বক যে দিব বিচাৰিছিল তাৰ তথ্য আমাৰ হাতত আছে। গতিকে অনতিপলমে এই মৃতপ্ৰায় কল কাৰখানা বিলাক জীয়াই তুলিবলৈ আমাৰ চৰকাৰে চেষ্টা কৰিব। কৃষিৰ ক্ষেত্ৰত বিশেষকৈ ভূমিনীতিৰ ওপৰত বিৰোধীপক্ষৰ মাননীয় সদস্য সকলে কিছুমান বক্তৃতা দাঙি ধৰিছে। আমাৰ চৰকাৰে ভূমিনীতি স্পষ্ট ভাৱে ঘোষণা কৰিছে। তেখেত সকলে আজি সমালোচনা কৰিছে। কিন্তু তেখেত সকলে পাহৰি যোৱা উচিত নহয় কংগ্ৰেছ চৰকাৰে গাদীত থাকোতে আইন শৃংখলা ৰক্ষাৰ নামত পুতেকক বিছাৰি গৈ নাপায় ৮০ বছৰীয় বৃদ্ধা মুৰলী বনালা ৰায়ক ঘৰৰ ভিতৰতে হত্যা কৰিছিল ৰাণ্টাৰ ওপৰত ধুৰজ্যোতিৰ তেজেৰে ফাকু খেলিছিল কিন্তু আজি সেই সকল লোকেই আইন শৃংখলাৰ কথা কোৱাটো ধৃষ্টতা মাথোন। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ

ভাষণত অৰ্থনৈতিক সামাজিক দিশৰ এখন সুন্দৰ ছবি দেখিবলৈ পাইছো সেই কাৰণে আমি এই ভাষণক আদৰণি জনাইছো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাৰ দৰে অসম খন এখন সুন্দৰ উন্নয়নমুখী ঐক্য সংহতি আৰু প্ৰগতিৰ পথত আগবাঢ়ি যাওক এয়ে আমাৰ আশা। এই খিনিকে কৈ মোৰ বক্তৃতা সামৰণি মাৰিলো। ধন্যবাদ অধ্যক্ষ মহোদয়।

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য অমৃত লাল বসুমতাৰীয়ে কব।

*শ্ৰীঅমৃত লাল বসুমতাৰী :— অনাৰেব'ল স্পীকাৰ চাৰ ,ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপিত সংশোধনী প্ৰস্তাৱৰ সমৰ্থনত দুষাৰ কথা ৰাখিব খুজিছো। ৰাজ্যপালৰ ভাষণত কেইটামান দৰকাৰী কথা বাদ পৰি গৈছে। সেই কথা বিলাক সন্নিবিষ্ট হব লাগিছিল বুলি মই ভাবো। ইয়াৰ ভিতৰত প্ৰথম কথা হৈছে পঞ্চায়তৰ কথা। আচলতে গাওঁ অঞ্চলৰ উন্নতি কৰিব লাগিলে পাওঁ পঞ্চায়তৰ কথা বাদ দি ভাবিবই নোৱাৰি। অসমীয়া সমাজ, গাৱলীয় সামাজৰ কথা গাওঁ পঞ্চায়ত ব্যতিৰেকে উন্নত কৰাৰ কথা ভাবিবকে নোৱাৰি। যোৱা কেইবছৰ মানৰ আগেয়ে পঞ্চায়তৰ দ্বাৰা কিছুমান কাম হোৱাৰ এটা ঢো আছিল। সেয়া আছিল ১৯৭২ চন মানৰ কথা। গাৱলীয়া সমাজে গাওঁ পঞ্চায়তৰ লগত সহযোগ কৰিব লাগিব আৰু পঞ্চায়তৰ অধীনত গাওঁ অঞ্চলৰ সৰু-সুৰা কেচ বিলাক নিষ্পত্তি কৰাৰ যি ব্যৱস্থা কৰাৰ কথা ভবা হৈছিল সেই বিলাক কিন্তু পিচৰ বছৰ বিলাকত কাৰ্য্যকৰী ৰূপ পাব নোৱাৰিলে। তেনে ব্যৱস্থা কাৰা হলে গাওঁ পঞ্চায়ত কোৰ্ট কৰা হেতেন গাৱলীয়া সমাজৰ এই বিষয়ত উন্নতি হল হেতেন। এতিয়া আচলতে গাওঁ পঞ্চায়ত লেভেলত সচাকৈ কাম হোৱা নাই। সেই পৰ্য্যায়ৰ কাম আৰু আচনিৰ কথ ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হোৱা দেখা নাই। নতুন চৰকাৰৰ এই বিষয়ক কি ধৰণৰ নীতি নিয়ম আছে সেই বিলাকো ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হোৱা নাই। মই নতুন চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিছো যেন এই সম্পৰ্কত চৰকাৰী নীতি সুস্পষ্ট ভাবে দাঙি ধৰে। বৰ্ত্তমান আমাৰ অভিজ্ঞতাৰ পৰা দেখ গৈছে যে নতুন নতুন চহৰ প্ৰতিস্হা হৈ আছে কিন্তু তাৰ দ্বাৰা গাওঁ অঞ্চলৰ ৰাইজৰ উন্নতি পৰিলক্ষিত হোৱা নাই। গাওঁৰ ৰাইজে যি পৰিমাণে সা-সুবিধা পাব লাগিছিল সেই পৰিমাণে পাই থকা নাই। মাটিকে লৈ জীয়াই থকা গাওঁ অঞ্চলৰ ৰাইজে মাটিৰ অভাৱত পৰিছে। নতুন নতুন চহৰৰ বৃদ্ধিয়ে গাওঁ অঞ্চলৰ ৰাইজৰ মাটি চহৰলৈ পৰ্য্যবসিত কৰিছে আৰু তাৰ ফলত মাটিকে লৈ জীৱন-নিৰ্বাহ কৰা গাৱঁলীয়া ৰাইজে চৰকাৰী মাটি বা বনাঞ্চলৰ মাটি দখল কৰি লৈ খেতি বাতি কৰি নিৰ্বাহ কৰিবলগীয়া হৈছে। ইয়াৰ কাৰণে এটা সুস্পষ্ট নীতি লোৱা দৰকাৰ হৈ পৰিছে। মই এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই সম্পৰ্কত সকলো কথা অধ্যয়ণ কৰি নীতি নিৰ্দ্ধাৰণ কৰিব বুলি আশ্বাস দিছিল আৰু মই ভাবো এইটো অতি সোনকালে নিৰপেক্ষ ভাবে ঘোষণা কৰিব লাগে। বনাঞ্চলৰ মাটি দখল কৰা সম্পৰ্কেও ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ কৰা দেখা নাই।

অধ্যক্ষ মহোদয়, ইয়ায় উপৰিও নিৰ্ব্বাচনৰ পিচতে নিযুক্তি আদিৰ সম্পৰ্কত ইলিমেন্টৰি বৰ্ড আদি সকলো বিলাক বন্ধ ৰখা বুলি যিটো ঘোষণা কৰা হৈছিল তাৰ কোনো নতুনকৈ ঘোষণা কৰা নাই। এতিয়া নতুন বিধায়ক সকলৰ ওচৰলৈ নিশ্চয় চাকৰিৰ কাৰণে বহুত পৰিমাণে দৰ্খাস্ত আহিছে কিন্তু নিযুক্তিৰ ক্ষেত্ৰত কি ধৰণৰ নীতি লোৱা হব তাৰ কোনো চৰকাৰী ভাবে ঘোষণা কৰা হোৱা নাই। আশাকৰো ৰাইজৰ জ্ঞাতাৰ্থে আৰু মাননীয় বিধায়ক সকলে সুবিধাৰ্থে অতি সোনকালে নতুন চৰকাৰে নিয়োগ আদিৰ সম্পৰ্কত নতুন নীতি ঘোষণা কৰিব। এই বিষয়ত ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ দেখা নাই। এই বিলাক কথাও সন্নিবিষ্ট হোৱা উচিত আছিল।

অধ্যক্ষ মহোদয়, মই চুক্তিৰ বিষয়ে পৰ্য্যালোচনা কৰিব বিচৰা নাই কিন্তু এইটো ঠিক যে বহু সংখ্যক ভাৰতীয় লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কটা গৈছে। অইন কেইবছৰ ভোটাৰ তালিকাত নাম নুঠিলেও লোকে সিমান মন কৰা নাছিল কিন্তু এইবাৰৰ কথা অলপ বেলেগ। আমি নিজে জনাও ১৯৭১ চনত ভোটাৰ তালিকাত নাম থকা লোকৰ নাম এইবাৰ বাদ পৰিছে। আকৌ ১৯৭১ চনৰ

*Speech not corrected.

ভোটাৰ তালিকাত মা-বাপেকৰ নাম থকা লোকৰ নামো এইবাৰৰ ভোটাৰ তালিকাৰ পৰা বাদ পৰিছে। এই বিলাক নাম কটা ৰাজনৈতিক ভাবে হৈছে বুলিয়েই কব লাগিব। কটা যোৱা নাম বিলাক নিৰ্বাচনৰ আগে আগে তোলা হব বা নিৰ্বাচনৰ পিচতো তোলা হব ইত্যাদি ধৰণৰ কথা কোৱা হৈছিল যদিও আচলতে এতিয়াও সেই সকল লোকৰ নাম ভোটাৰ তালিকাত সোমোৱা হোৱা নাই। বহুত তেনে ধৰণৰ কেচ আপিল কৰা হৈছে আৰু সেইবিলাক এতিয়াও পৰি আছে। অকল গোসাঁইগাওঁ মহকুমাতে মই জনাত পোন্ধৰ হাজাৰ তেনেকুৱা কেচ পৰি আছে। এই পৰি থকা গোচৰ বিলাক অতি শীঘ্ৰে ফয়চলা কৰিবৰ কাৰণে নতুন চৰকাৰে খৰতকীয়া ব্যৱস্থা লব বুলি আশা কৰিছো। আচলতে যি সকলৰ নাম ভোটাৰ তালিকাত নাই সেই সকলে ভীষণ অশান্তিত কাল কটাবলগীয়া হৈছে। অন্যান্য বছৰত ভোটাৰ তালিকাত নাম নাছিল যদিও বিশেষ মন কৰা নাছিল কিন্তু এইবাৰৰ কথা বেলেগ। গাওঁ অঞ্চলত এই নাম নথকা কথালৈ এক অশান্তি বিৰাজ কৰিছে। অতি সোনকালে এই বিলাক ব্যৱস্থা হাতত লব লাগে। আমাৰ বাইজে নাম কটা থাকিলে মাইনৰিটি বুলি সহজ ধাৰণা এটা কৰি লব নালাগে কিয়নো গোসাঁইগাওঁ মহকুমাত নাম কটা যোৱা সকলৰ বেছিৰ ভাগেই ৰাজবংশী সম্প্ৰদায়ৰ লোক নাম কটা যোৱাৰ ক্ষেত্ৰত সংখ্যালঘু বা সংখ্যাগুৰুৰ কথা আহিব নালাগে। আচলতে প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম কটা যোৱাটো উচিত নহয় গতিকে মই নতুন চৰকাৰক এই বিলাক কথা সুচিন্তিত ভাবে সোনকালে ব্যৱস্থা লবলৈ অনুৰোধ কৰিলো।

অসমত বসবাস কৰা ট্ৰাইবেল সকলৰ কিছুমান বিশেষ সমস্যা আছে। যিবোৰ এই ট্ৰাইবেল বেল্ট আৰু ব্লকত বসবাস কৰে তেওঁলোকেহে ইয়াৰ আচল সমস্যা বোৰ বুজি পায়। অসমীয়া লোক সকলে ইয়াৰ মাজত বসবাস নকৰে বাবে তেখেত সকলে সকলো কথা বুজি নেপায়। আমাৰ মাজত থকা সমস্যা বোৰ সু বিচাৰ কৰি ভালদৰে দূৰ কৰাৰ ব্যৱস্থা কৰিলে আমাৰ একাংশ লোকৰ মাজত দেখা দিয়া অসন্তুষ্টি বহু পৰিমাণে দূৰ হব বুলি মোৰ বিশ্বাস। মই এই খিনিতে আমাৰ ট্ৰাইবেলৰ মাজত দেখা দিয়া চাকৰিৰ সমস্যাৰ বিষয়ে কব খুজিছো। মই শুনি দুখ পাইছো, আমাৰ মাননীয় কেইবা গৰাকীও সদস্যই কৈ গৈছে যে আমাৰ চাকৰিৰ ক্ষেত্ৰত ট্ৰাইবেলৰ যিবোৰ কোটা সেইবোৰ এতিয়াও পূৰোৱা হোৱা নাই আৰু বেক্-লগ বোৰো ক্লিয়াৰ কৰা হোৱা নাই। এইটো সচাকৈয়ে বৰ বেয়া হৈছে। আমাৰ ট্ৰাইবেলৰ যিবোৰ কোটা আছে সেইবোৰ এতিয়াও পূৰোৱা হোৱা নাই আৰু বেক-লগ বোৰে ক্লিয়াৰ কৰা হোৱা নাই। এইটো সচাঁকৈয়ে বৰ বেয়া কথা হৈছে। আমাৰ ট্ৰাইবেলৰ বেক-লগ এতিয়াও কিমান পূৰণ হবলৈ বাকী আছে সেই কথা আমি সদনত জানিব পাৰিলে ভাল হয়। আমাৰ সমাজত শিক্ষিত নিবনুৱাৰ সংখ্যা বাঢ়িছে আৰু আমাৰ লোকসকল এতিয়াও আগতকৈ শিক্ষা-দীক্ষাত ভালেখিনি আগবাঢ়িছে। ইয়াৰ ফলতেই এচাম লোকৰ মাজত ৰাজনৈতিক ভাবধাৰা, চিন্তধাৰা বদলি হৈছে, তেওঁলোকৰ মাজত অসন্তুষ্টিয়ে গা কৰি উঠিছে— ৰাজনৈতিক ভাবে আৰু অৰ্থনৈতিক ভাবেও। সেয়ে মই আমাৰ নতুন চৰকাৰক অনুৰোধ জনাইছো যাতে আগৰ চৰকাৰৰ দৰে অকল কথাৰ মাজতেই আমাৰ ট্ৰাইবেলৰ সমস্যাসমূহ দূৰ কৰাৰ পৰা বিৰত থাকি হাতে কামে আমাৰ সমস্যা সমূহ আতৰ কৰাৰ চেষ্টা কৰে। মই আজি এই সদনত যিখিনি আমাৰ সমস্যাৰ কথা কলো সেইখিনিৰ প্ৰতি যেন আমাৰ চৰকাৰে মনোযোগ দিয়ে আৰু ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri HALIRAM TERANG.—Mr. Speaker Sir, with due respect to my friend of the Treasury Bench, I would speak in English Sir, I entirely agree with the sentiments expressed by Hon'ble member Shri Joy Nath Sarma while speaking on the Motion of Thanks to Governor's Address, I support the Motion of Thanks to Governor's Address that has been brought before this August House. Sir, in the address by the Governor we find a shift of policy from the previous Government by the present Government. It depicts a new trend of thinking on the part of the AGP Government It sincerely wants

to implement the Assam Accord which has been reached at after a long span of 6 years. It is really an encouraging feature. After all, the problem of foreign national issue could be solved after a lapse of so many years. Now, Sir, regarding the Hill areas the Governor was kind enough to spell out the problems of the hills and suggests taking various steps in solving those problems faced by the people of the hill areas. He has suggested that there will be a shift from the traditional method of cultivation to a modern method which would augment the agricultural production in the hill areas. He has pointed out taking of some schemes for the soil conservation, plantation and other corelated matters which would suit the hill areas of the Karbi Anglong District. So, this thinking of the new Government is really a shift from the past and it is a new trend. Sir, one of the Hon'ble members has described the Assam Accord as a Magna Carta. Yes Sir, it is a Magna Carta. Sir, after going through the Governor's Address, some of the Hon'ble members have said that a revolution is taking place in the State. They said so because we are seeing that this new Government is actually the culmination of the aspiration of the people of Assam. So, it is really a revolution. Sir, some of the Hon'ble members have brought in some amendments to the Motion of Thanks to the Governor's Address. But actually they do not contradict the Motion of Thanks brought forward from this side of the House. It is quite correct that some of the Hon'ble members in this House have said that it should not be the duty of the present Government to go into the mis-doings of the previous Government. In discharging its duties, the Government may have to study the activities of the past Government and take corrective steps wherever necessary. After all the present is the culmination of the past. Sir, some of Hon'ble members in the Opposition have brought in some amendments to the Motion of Thanks on the Governor's Address may be just to oppose theTreasury benches. The Members in the oppostion I believe are all responsible members and I think they will see reason and would not press for their amendments and I earnestly request them to support the Motion of Thanks tabled by by Hon'ble member Shri Joy Nath Sarma. With this I resume my seat. Thank you, Sir.

মাননীয় অধ্যক্ষ :— ইয়াৰ পিচত মাননীয় সদস্য শ্ৰীজ্ঞানেন্দ্ৰ বসুমতাৰীয়ে কব।

*শ্ৰীজ্ঞানেন্দ্ৰ বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত কেইটামান কথা কব খুজিছো। মোৰ বক্তৃতাত বিশেষকৈ যিটো সমষ্টিৰ পৰা মই এই বিধান সভালৈ নিৰ্বাচিত হৈ আহিছো সেই সমষ্টিটোৰ কথাই কম বুলি ভাবিছো। মই মোৰ সমষ্টিত পূৰ্বৰ চৰকাৰৰ এজন ভেটেৰান মন্ত্ৰী হৰুৱাই নিৰ্বাচিত হৈ আহিছো। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা ৰাজহ বিভাগৰ বেল্ট আৰু ব্লকৰ ওপৰত মই দুআষাৰমান কথা কব খুজিছো।

কাৰণ এই চিৰাংৰ বেল্ট আৰু ব্লকত কোনো অসমীয়াই বাস কৰা নাই। আমিহে বাস কৰি আছো। ইয়াত বাস নকৰা সকলে বুজি নাপাব। আপোনালোক আচৰিত হব চিৰাংৰ আমটেঙাত যি ধৰণৰ বেদখল কাৰ্য্য চলি আছে দেখিলেহে অনুভৱ হব। মই মহকুমাৰ কাউন্সিলাৰ হৈ থাকোতে গাড়ীৰে দুদিন মান সময় ললো কাৰণ এই এনক্ৰোচমেণ্ট ইমান ব্যাপক হৈছে। এইবিলাক এনে অঞ্চল তাত ৰেভিনিউ নহয় ফৰেষ্টও নহয়—"নো মেনচ্ লেণ্ডৰ নিচিনা" এই ট্ৰাইবেল সকল যি সকলে ইয়াত বসবাস কৰিছে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা অতি দুৰ্বল। তেওঁলোক অতি নিঃকীন হৈ পৰিছে। কাৰোবাৰ প্ৰলোভনত পৰি তেওঁলোকে বেল্ট আৰু ব্লকত মাটি অনা ট্ৰাইবেল সকলৰ হাতত বিক্ৰী কৰি দি নিজৰ ভেটি মাটি সকলো উচন কৰি হাবিৰ মাজলৈ গুচি গৈ থবি নাকাটিলে তেওঁলোকে জীৱনধাৰণ কৰিব নোৱাৰে। তেওঁলোকৰ দুৰ্দ্দশাৰ কথা আমাৰ চৰণ নাৰ্জাৰী ডাঙৰীয়াই আগতেই কৈ গৈছে। আমাৰ ওচৰত এখন নদী আছে আৰু এই নদীয়ে আমাৰ মাৰাত্মক ক্ষতি সাধন কৰিছে। কিন্তু কংগ্ৰেছ চৰকাৰে আজি ৩৮ বছৰে এইবোৰ ব্যৱস্থা হাতত লব পৰা নাই। তাৰ কি কাৰণ কব নোৱাৰো। মই যি সমষ্টিৰ পৰা আহিছো সেই সমষ্টিত তিনিটা ডাঙৰ নদী আছে। এই নদী কেইখনে খেতিৰ মাটি ইৰোডেড কৰি ৰাবী ভেটি চৰ উচন কৰি পলায়। এই নদী বিলাক পৰ্বতৰ পৰা ওলাই অহা অত্যন্ত খৰস্ৰোতা, ইয়াক বাধা দিব নোৱাৰি। ফলত মানুহ বিলাকৰ অৱস্থা বানপানীৰ ফলত বেঁচি হীন হৈ পৰিছে। মই কব বিচাৰিছো অলপতে নিৰ্বাচন হৈ যোৱাৰ পিচত নিৰ্বাচনৰ ফল ঘোষণা কৰাৰ দিনা এই চিৰাং সমষ্টিত শিলাবৃষ্টি হৈ ১০০ খন গাওঁ ধ্বংস হৈ গৈছে। মই মন্ত্ৰী ডাঙৰীয়াক এই বিষয় লৈ দৃষ্টি আকৰ্ষণ কৰিলো লগতে ট্ৰাইবেল বেল্ট আৰু ব্লকৰ সমস্যা বিলাকৰ প্ৰতি মনযোগ দিবলৈ অনুৰোধ কৰিলো আৰু ইয়াৰ কাৰণে অলপ যাতে যত্নপৰ হব বুলি আশা কৰিছো। আমাৰে খোৱা পানী যোগানৰ ক্ষেত্ৰত কি ভয়ানক সমস্যা সেইটো দেখিলেহে অনুভৱ কৰিব পাৰিব। ভুটানৰ সীমাৰ সিফালৰ পৰা আমি পানী আনিবলগীয়া হয়। প্ৰাক্তন মন্ত্ৰী লুইচ ইচলাৰি ডাঙৰীয়াৰ দিনতেই পানী যোগানৰ ক্ষেত্ৰত বিশেষ এটা ব্যৱস্থা কৰিবলৈ প্ৰায় ১৫০ ফুট খান্দিলে কিন্তু আজি পৰ্য্যন্ত সেইটো সম্পূৰ্ণ নহল। এই অঞ্চলটো হল হাতীচাৰ এলেকা। ফলত ইয়াত পানী নোপোৱাৰ কাৰণে ভুটানৰ গেলেংফুলৈ পানী আনিবলৈ যাবলগীয়া হৈছে। ভুটানৰ মানুহ বিলাকে এক ইঞ্চিও মাটি এৰি নিদিয়ে। আমি আশা কৰিছো নতুন চৰকাৰে এটা সুব্যৱস্থা লব। আৱশ্যক হলে আই নদীৰ পৰা লিফট্ ইৰিগেচন কৰি পানীযোগান ধৰিলে বাইজ উপকৃত হব। তাৰ পিচত পৰিবহন বিভাগে মোৰ ঘৰৰ চোতালতে এটা ষ্টেচন বহুৱাইছিল। তেওঁলোকে ভাবিছিল তাত বহুৱালে কংগ্ৰেছৰ সুবিধা হব। কিন্তু মই কৈছিলো কংগ্ৰেছৰ ভোট ৫ ৰূৰ যদি আশা কৰিছে তেতিয়াহলে ট্ৰেন্সপোৰ্টৰ চকাতো বন্ধ হৈ যাব। এতিয়াও সম্পূৰ্ণৰূপে বন্ধ হৈ আছে। অথচ পৰিবহন নিগমৰ পৰা ভাড়াটো পেমেণ্ট হৈ আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এইবিলাক অপচয় বন্ধ কৰে। আৰু এই ঘৰ ভড়া লোৱাৰ ক্ষেত্ৰত পুনৰ বিভিউ হয়।

ইয়াৰ বাহিৰেও ৰিলিফৰ ক্ষেত্ৰত কও আমাৰ প্ৰাক্তন মন্ত্ৰীয়ে যোৱা বানপানীৰ সময়ত হেলিকপ্তাৰেৰে চাউল ইত্যাদি যোগান ধৰাৰ ব্যৱস্থা কৰিছিল বুলি আমি শুনিছিলো। কিন্তু আমি হলেদেখা নাই। শুনিবলৈ পোৱামতে এই ৰিলিফ হেনো যি সকলে ২৫ টকীয়া কংগ্ৰেছৰ টিকট লৈছিল সেই সকলেহে পাইছিল। এইটো সচাঁ কথা যে এই সমষ্টিৰ মানুহ বিলাক ভুক্তভোগী।

গতিকে ৰিলিফ দিয়াৰ ক্ষেত্ৰত এনেকুৱা হৈছে যে কোনোবা ট্ৰাইবেল মানুহৰ ঘৰ সম্পূৰ্ণ নদীয়ে উটাই লৈ গলেও তেওঁলোকে তাৰ বাবে একো নাপায় কিন্তু কোনোবা অনাট্ৰাইবেলৰ ঘৰ নদীয়ে

উতাই নিয়াৰ কথাই নাই ঘৰৰ খৰটা এটা পানীত উতাই দিয়ো ঘৰ উতাই নিলে বৰলি কৈ ৰিলিফ লৈছে। এনেকুৱা ধৰণৰ ঘটনা ঘটিছিল। আনকি সেই বিলাক মানুহে জলকীয়ালৈকে ৰিলিফ পাইছে। মই ইয়াকে কব খুজিছো যে যি বিলাক সা-সুবিধা ৰিলিফৰ নামাত দিয়া হয় সেই বিলাক যাতে ভাল ধৰণেৰে বিতৰণ হয় এইটো কথা নতুন চৰকাৰে বিশেষ ভাবে চাব লাগে।

পানী যোগানৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে আমাৰ অঞ্চলৰ মানুহে ইয়াৰ দ্বাৰা উপকৃত হোৱা নাই। আমটেকা, ডাবগড়ী আদি ঠাইৰ মানুহ খিনি থলুৱা মানুহ। এই মানুহখিনিয়ে পানী যোগানৰ সা-সুবিধা নোপোৱা কৈ আছে। আশা ৰাখিছো এই মানুহ খিনিৰ কাৰণে নিশ্চয় কিবা বিশেষ ব্যৱস্হা কৰিব।

পৰিবহনৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে যোৱা ১৯৮৩ চনৰ নিৰ্বাচনৰ সময়ত এজন প্ৰাৰ্থীয়ে অৱশ্যে তেওঁ পিচত মন্ত্ৰী আছিল— প্ৰতিজ্ঞা কৰিছিল যে ৰাস্তা ব্লেক টপিং হব। কিন্তু সেইটো আজিলৈকে নহল। গতিকে মই আশা ৰাখিছো যে আমাৰ গড়কাপ্তানী মন্ত্ৰীয়ে ৰাইজৰ মংগলৰ প্ৰতি লক্ষ্য ৰাখে।

বাননিয়ন্ত্ৰনৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা যি বিলাক বিহিত ব্যৱস্হা লব লাগে সেই বিলাক লোৱা হোৱা নাই। মই বাননিয়ন্ত্ৰন মন্ত্ৰীক যিবিলাক অঞ্চল বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হয় সেই বিলাক অঞ্চল ঘূৰি পকি চাই আহিবৰ কাৰণে অনুৰোধ কৰিলো। ইয়াৰ উপৰিও মোৰ আৰু বহুত বিলাক কথা কবলগীয়া আছিল যদিও সময়ৰ অভাৱত কব নোৱাৰিলো। মই এই খিনিকে ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দেয়ে কব।

Shri ARDHENDU KUMAR DEY.—Mr. Speaker Sir, I should like to draw the attention of the Health and Family Welfare Minister to the deplorable condition of our Health Centres and maternity and child welfare centres, on which subject several Hon'ble Members of the House have already spoken. Sir, it is a matter of great regret that there are so many schemes for family welfare and child welfare, but if anybody goes to our Primary Health Centres or Maternity Centres, he can see the deplorable situation. Sir, refrigerators have been supplied to these Centres for preserving vaccines and various life giving drugs, but one will see that they are not functioning and a result, these vaccines and medicines cannot be preserved to be effective. And Sir, if the vaccines cannot be stored therein what was the use of spending so much money for purchasing these refrigerators. It is a matter of great regret that due to this anti-rabid vaccines cannot be preserved and a lot of human lives are lost. If a person is bitten by a rabid dog and if rabbies developed, he will die within 1 to 2 days. It is seen that after administration of A.R.V. to dog-bite cases in Government health centres and dispensaries, many of them died. It was because of the lack of proper cold storage of such vaccines and

their preservation. Sir, our pray to you is that there should be immediate steps taken for preservation of vaccines and medicines in cold storage in Assam so that vaccines can be supplied to different centres from time to time. Unless this is done, our maternity and child welfare programme, and our health programme cannot be fulfilled. In a welfare State, such a situation cannot be allowed to continue.

Regarding electricity, Sir, it is also not a good picture. There is slackening in the programme of power generation in the State. There was an announcement by the Government earlier that by 1990, all the villages in the State will be electrified. The manner in which the electrification programme was going on, such promise cannot be fulfilled. It is only a slogan. There were slogans like 'health for all', 'electricity for all', but these were never fulfilled. There are so many Health Sub-centres and dispensaries, and primary health centres, and medical colleges and hospitals, but there are no proper staffing, on supply of medicines, no proper storage facilities and so on. There are many health sub-centres without any staff. So far as the statistics of indoor patients and beds are concerned it is mentioned here in the Diary supplied by Government of Assam that there 30 beds per lakh population. I doubt it Sir, because in comparison to the total population of the State, the total number of beds in our health and medical centres is 7403, and by calculating we find that it is less than 30 beds per lakh population. So this is to be corrected. Sir, Health Centre should be started immediately with proper staff. Our Maternity and Child Welfare Schemes and Family Welfare Schemes will be a total failure and the promise that by 2000 A. D. every person will get the benefit of Medical treatment will remain unfulfilled. About Malaria eradication, Sir, it is also in a bad state. If you enter a D. D. T. storage godown, lots of mosquitoes one will find coming out because the D. D. T. supplied by a Hindusthan firm are of low standard and ineffective. Most of the time anti-malarial drugs are not timely supplied to our hospitals and dispensaries. It was said that due to some communal disturbances in Delhi, the State dispensaries and hospitals could not be supplied such medicines during the middle of 1985 but it is not a fact Sir. It is only due to some mistakes and deficiency of work on the part af Government department.

I hope that such defiiciencies in the present machinery should not be there. I hope there should be a Pasteur Institute established in Assam within a very short time so that the people from all corner of the State get the benefit of the immunisation programme. There are lot of water borne diseases like Cholera, bacilliary dysentry etc. which cause death of a considerable number of people in the State. So, water supply should be properly expanded in the rural areas as well as in the urban areas. Lumding my Constituency is notorious for Cholera and other water borne diseases. When Cholera starts at Lumding it sprades to other parts of Aseam. There is already a plan for water supply, but the plan and estimates for this is still in the file. So, I request the Minister-in-charge of Public Health and Engineering to look into the matter and also the matter relating to immunisation and other Health programmes.

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীচামসিং হাঞ্চেয়ে কব।

*শ্ৰীচাম সিং হাঞ্চে :— শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ জ্ঞাপন কৰিছো আৰু আমাৰ দলৰ মুখ্য সচেতক ডাঙৰীয়াই আগবঢ়োৱা যি ধন্যবাদ-সূচক প্ৰস্তাৱ তালৈ সমৰ্থন জনাইছো।

আমাৰ ৰাজ্যপালৰ ভাষণটিয়ে নিশ্চয় সকলো দিশ সামৰি লৈছে আৰু সুন্দৰ হৈছে। কিন্তু তেখেতৰ ভাষণত বিশেষকৈ পাৰ্বত্য অঞ্চলৰ উন্নয়নৰ দুই এটা কথা সামৰি লোৱা হলে আৰু সুন্দৰ হলহেতেন। এই খিনিতে মই এটা কথা উনুকিয়াব খোজো যে আমাৰ কাৰ্বি আংলং জিলাত পৰম্পৰা-গত ভাবে যি জুম খেতি কৰা সেই খেতিৰ বাবে বৈজ্ঞানিক পদ্ধতি প্ৰবৰ্ত্তন কৰা হব বোলা কথাটো মই সাদৰেৰে আদৰণি জনাইছো। কিন্তু এই খিনিতে মই এটা কথা জনাব লগা হৈছো যে কাৰ্বি সকল পাহাৰত থাকে, তেওঁলোকৰ গীত, মাত, নৃত্য, উৎসৱ ইত্যাদি বিলাক ঝুম খেতিৰ লগত ওতঃ পোতঃ ভাবে জড়িত থাকে। যদি ঝুম খেতি সম্পূৰ্ণ ভাবে বন্ধ কৰিবলৈ যায় তেন্তে কাৰ্বি সকলৰ সংস্কৃতিৰ কিবা এটা অমঙ্গল হব পাৰে। সেয়েহে তেখেতৰ ভাষণত ইয়াৰ প্ৰতিকাৰৰ বিষয়টো অলপ উল্লেখ থকা হলে অতি সুন্দৰ হলহেতেন, যিহেতু কাৰ্বি সকল বৃহত্তৰ অসমীয়া জাতিৰে অন্তৰ্ভূক্ত এটা জাতি। এই বৃহত্তৰ সংস্কৃতিৰ ক্ষতি হলে গোটেই জাতিটোৰে ক্ষতি হব। দ্বিতীয়তে পাৰ্বত্য অঞ্চলৰ উন্নয়নৰ কাৰণে যি প্ৰশাসন ব্যৱস্থাৰ সম্পৰ্কে অলপ উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই কব খোজোঁ যে ভাৰতৰ ষষ্ঠ অনুচ্ছেদৰ টেবুল এক্ট মতে ভাৰতত মাত্ৰ দুটা স্বায়ত্ব শাসিত জিলা আছে আৰু সেই দুয়োটাই আমাৰ অসমতে, আমি বৰ ভাগ্যবান। তাৰে এটা স্বায়ত্ব শাসিত জিলাৰ প্ৰশাসনীয় ব্যৱস্থা সি আনতকৈ অলপ পৃথক। কাৰ্বি আংলং বা উত্তৰ কাছাৰ নিজা পৰিষদ আছে। ১৯৫১ চনত যেতিয়া স্বায়ত্ব শাসিত জিলা গঠণ হল তেতিয়াৰ পৰা আজিও সেই শাসন ব্যৱস্থা হৈ আছে। কিন্তু আজিও নামত কেৱল স্বায়ত্ব শাসিত ক্ষমতা দিয়া হৈছে, কাৰ্য্যক্ষেত্ৰত আজি সুদীৰ্ঘ ৩৫ বছৰে চৰকাৰৰ আঙুলিৰ ইংগিততে জিলা পৰিষদবোৰে নাচিব লাগিছে। মই ইয়াকে কব খুজিছো যে আগৰ চৰকাৰ কেইটাই জিলা পৰিষদবোৰক ডেভেলপমেণ্ট এজেন্সি হিচাবে ৰাজ্য চৰকাৰৰ হাতৰ মুঠিত ৰাখি নচুৱাব লাগিছে। দুখীয়া পাহাৰীয়া জনজাতিৰ উন্নতিৰ কাৰণে যিবিলাক আচনি গ্ৰহণ কৰা হয় আৰু উন্নয়নৰ নামত কোটি কোটি টকাৰ যিবিলাক আঁচনি ললে সেইবিলাক ৰাজনৈতিক নেতা সকলৰ আমোদ প্ৰমোদত খৰচ হৈ যায়। ৰাজ্যপালৰ ভাষণত এইবিলাক কথা উল্লেখ থকা হলে ভাল আছিল সে স্বায়ত্ব শাসত ক্ষমতাৰ ওপৰত কোনেও হস্তক্ষেপ নকৰাকৈ প্ৰশাসন ব্যৱস্থা প্ৰবৰ্ত্তন কৰাৰ প্ৰতিশ্ৰুতি ৰাজ্যপালৰ ভাষণত উল্লেখ থকা হলে তেখেতৰ ভাষণখন অতীৱ সুন্দৰ হলহেতেন।

*Speech not corrected.

তদুপৰি তাত আৰু কেইটামান কথা উল্লেখ থকা হলে বিশেষকৈ পাৰ্বত্য অঞ্চলৰ উন্নয়নৰ কাৰণে চাবলগীয়া বা সামৰিব লগীয়া এই জিলাখনত ১০ লাখ জনবসতিৰ মাজত মাত্ৰ ৯৫৬ খন এল, পি স্কুল আছে। উক্ত স্কুল বিলাকৰ এনে অৱস্থা য'ত স্কুল আছে মাষ্টৰ নাই, যত মাষ্টৰ আছে লৰা-ছোৱালী নাই, য'ত লৰা-ছোৱালী আছে তাত ঘৰ নাই আৰু যত সকলো আছে তাত গাওঁ নাই বা সকলো আছে কিন্তু দৰমহা নাই, ইত্যাদি বিলাক খেলি-মেলি আজিও বৰ্ত্তমান। সেয়েহে কাৰ্বি আংলঙৰ যিবিলাক এল, পি, স্কুলৰ ঘৰ আছে য'ত গাওঁ নাই, অথচ এনে ঠাইত স্কুল স্থাপন কৰিছে য'ত হৰিণাই পোৱালী জগোৱাৰ ঠাই হিচাবে গ্ৰহণ কৰিছে।

এই শিক্ষাৰ নামত যিবোৰ ব্যৱস্থা চলি আছে তাক কবলৈ বেয়া লাগে। এই ৯৫১ খন এল, পি স্কুলত যিবোৰ শিক্ষক নিযুক্তি দিয়া হৈছে তাৰ শতকৰা ৭৫ ভাগেই তৃতীয় শ্ৰেণীও পাছ নকৰা লোক। তেনেবোৰ মানুহক শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। গতিকে উক্ত শিক্ষক সকলে শিকাবটো নোৱাৰেই সেয়ে স্কুললৈকে নাযায় মাত্ৰ দৰমহাটো লয় সোঁহাত বা বাওঁহাতৰ বুঢ়া আঙুলিৰ আনকি ভৰিৰ বুঢ়া আঙুলিৰেও টিপ চহী মাৰি দৰমহাটো নিয়ে। এই বিলাক কথা চাবলগীয়া হৈছে। যোৱা কংগ্ৰেছৰ আমোলত যি নিউট্ৰিচন প্ৰগ্ৰেমৰ নামত কোটি কোটি টকা দিয়া হৈছে কিন্তু এই বিলাক আচনিত ৰূপায়িত হোৱা নাই বৰং সম্পূৰ্ণ দুনীতিগ্ৰস্ত হৈছে আৰু সকলো টকা আত্মসাৎ কৰা হৈছে। এই সদনে নিশ্চয় বিশ্বাস কৰিবলৈ টান পাব যে কাৰ্বি আংলংত লৰা-ছোৱালীৰ স্কুলৰ দুপৰীয়াৰ আহাৰত এক কিলো চিৰাৰ দাম ২০ টকা আৰু আখৈৰ দাম প্ৰতি কিলোত ৩৬ টকা দেখুৱা হৈছে। সেইদৰেই গুৰৰ প্ৰতি কিলোত ৪0 টকা আৰু এটা পকা মালভোগ কলৰ দাম ৮ টকা ৪ অনা দেখুৱা হৈছে। এইদৰেই এই ব্যৱস্থা চলি আছে। সেয়ে আজি কাৰ্বি আংলংৰ বাইজে আমাৰ মুখলৈ চাই আছে, গতিকে নতুন চৰকাৰে তেওঁলোকৰ দিনত আৰু ৰাজ্যপালৰ ভাষণত তেওঁলোকৰ উন্নয়নৰ প্ৰতিশ্ৰুতি সামৰি লোৱাতো মই বিচাৰো।

তাৰোপৰি চিকিৎসাৰ ক্ষেত্ৰত এনেকুৱাও হৈছে যে যি ধৰণে ২০ কিঃ মিঃ ৰাস্তা চমৰাংচু লাংচুক ব্লকত ১৯৬৬ চনতে উক্ত আচনি তৈয়াৰ কৰা হৈছিল আজি ১৯ বছৰেও মটৰ গাড়ীটো বাদেই খোজকাঢ়িও যাব পৰা হোৱা নাই। এই ধৰণেই আৰু ৪—৫ টা ৰাস্তাৰ কথা মই কব পাৰোঁ। পূৰ্বৰ চৰকাৰৰ খামখেয়ালীতেই এই অৱস্থা বিলাক চলি থাকিব পাৰিছে। এই বিলাক নতুন চৰকাৰে তেওঁ-লোকৰ ৰাজ্যপালৰ ভাষণত সামৰি দিয়াটো মই বিচাৰিছো।

স্বাস্থ্যৰ ক্ষেত্ৰত কাৰ্বি আংলংত ১৯ লাখ মানুহৰ মাজত হস্পিতেল আছে হামৰেণত এখন আৰু এখন ডিফুত। ডিফু জিলাৰ সদৰ ঠাই অস্ত্ৰোপ্ৰচাৰ কৰিবলৈ কেচী নাই বজাৰৰ পৰা ব্লেক কিডি কিনি আনি মানুহ কাটি অপাৰেচন কৰিব লাগে। ডাক্তৰ, নাৰ্চ আদি তাত প্ৰয়োজন অনুসৰি নাথাকে, দিলেও থাকিবলৈ ভাল নাপায় গুচি আহে, এই ধৰণেই চলি আছে। কাৰ্বি সকলে যি সুবিধা চিকিৎসাৰ ক্ষেত্ৰত পাব লাগিছিল সেইটো পোৱা নাই। ফলত আজিও কাৰ্বি সকলে টি, বি বেমাৰত ভুগী থাকিলেও মুগী কাটি পূজা কৰিয়েই আছে। এই বিলাক কথা মই কৈছো এই কাৰণেই যে ৰাজ্যপালৰ ভাষণত এইবোৰ কথা সামৰি লোৱা হলে ভাল আছিল।

দ্বিতীয়তে জনস্বাস্থ্য বিভাগটোৱে আমাৰ জিলাৰ সদৰত যিখিনি মানুহ আছে তেওঁলোকক দিনটোৰ ২৪ ঘণ্টাৰ ভিতৰত মাত্ৰ এঘণ্টাহে পানী যোগান ধৰে। মই বেছি কব নোখোজো কিন্তু সীমা বিবাদ সম্পৰ্কত কওঁ আমাৰ মেঘালয় সম্পৰ্কত ৰাজ্যপাল মহোদয়ে উল্লেখ কৰিছে কিন্তু মেৰাপানীয়েই নহয় মেঘালয়ৰ ক্ষেত্ৰতো ভৌগলিক সীমা সম্বন্ধীয় কেডেষ্টেল মেপ তৈয়াৰ কৰা হোৱা নাই। আৰু আমাৰ কাৰ্বি অংলংৰ ব্লক ১ আৰু ব্লক ২ মেঘালয়ৰ লগত ১৯৫১ চনৰ পৰাই যি সীমা বিবাদ চলি আছে সেই বিলাকৰ ওপৰত অলপ চকুদিব আৰু ৰাজ্যপালৰ ভাষণত এই বিষয় বিলাকো সামৰি লব বুলি আশা ৰাখিলোঁ। লগতে ৰাজ্যপাল মহোদয়ৰ ভাষণক সমৰ্থন জনাই তেখেতক ধন্যবাদ জনাইছো।

**শ্ৰীদীলেশ্বৰ তাতী** :— শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ ভাষণত অসমৰ বিভিন্ন বিষয়ৰ, বিভিন্ন সমস্যা ৰাজি সামৰি লোৱাত ভাল পাইছো বিশেষকৈ চাহ বাগিছা আৰু চাহ জনগোষ্ঠীৰ ক্ষেত্ৰত আৰু কিছুমান কথা উল্লেখ থকা হলে বেছি ভাল পালোহেতেন। সেই কাৰণেই চাহ বনুৱা সমাজৰ লগত জড়িত কেইটামান কথা কবলৈ মই ঠিয় হৈছো। আপোনালোকে বিশেষকৈ জানে যে চাহ বনুৱৰ জগতখন এখন অলপ বেলেগ ধৰণৰ জগত। অসমৰ ৪০/৪৫ লাখ চাহ মজদুৰ জনগোষ্ঠীৰ যি ভাগ্য, যি কল্যান সেইটো বিশেষকৈ এৰি দিয়া হৈছে চাহ বাগিছা বনুৱাৰ আইনৰ ওপৰত। চৰকাৰৰ বিভিন্ন কল্যানমূলক আচনিৰ কাম-কাজ সেই বিলাক এই চাহ বাগিছা অঞ্চলৰ জনসাধাৰণৰ কল্যানৰ কাম-কাজ আদিও এই চাহ বাগিছা বনুৱা আইনৰ ওপৰত ভিত্তি কৰিয়েই কৰা হয়। ১৯৫১ চনত হোৱা এই আইন খনৰ ওপৰত চাহ বাগিছাৰ বনুৱাৰ স্হায়ী ঘৰ কেনেকৈ কৰিব লাগিব আৰু ৫ টা পৰিয়ালৰ মাজত টিউবওৱেল আদি দিব লাগিব, ১৫০০ স্হায়ী কৰ্ম্মীৰ মাজত এখন হস্পিটেল আৰু ডাক্তৰ, নাৰ্চৰ ব্যৱস্হা থাকিব লাগিব। এই বিলাক কল্যান মূলক কাম এই আইনখনৰ ওপৰত ভিত্তি কৰিয়েই দিয়া হৈছে। এই আইনখন হৈছে 'চেন্ট্ৰেল এক্ট'। ভাৰতবৰ্ষৰ লোকসভাত পাছ আৰু সংশোধনীত কৰা হয়। অৱশ্যে ইয়াৰ ৰুলসমূহ অসম চৰকাৰে ও সংশোধন কৰিব পাৰে।

চাহ বাগিছাৰ লৰা-ছোৱালীৰ শিক্ষাৰ কথাটোও এই আইনেই বান্ধি দিছে। ১৫০০ পৰিয়াল থকা, ৩৫০ একৰৰ ওপৰৰ বাগিছা এখনত ৪০ জন লৰা-ছোৱালীৰ ভিতৰত এখন প্ৰাথমিক স্কুল দিয়াৰ ব্যৱস্হা আছে। কিন্তু উক্ত স্কুলখন এখন বাগিছাত বসবাস কৰা ঠাইৰ পৰা কিমান দূৰত হব লাগিব তাৰ কোনো স্পষ্ট উল্লেখ নথকাৰ কাৰণে ডেৰ কিঃ মিঃ পৰা দুই কিঃ মিঃ পৰ্য্যন্ত দূৰত থকা লাইনৰ পৰা এখন মাত্ৰ প্ৰাথমিক বিদ্যালয়হে আছে আৰু যিহেতু এই আইন বিলাক সংশোধন হোৱা নাই অৰ্থাৎ ৪০ জনতকৈ লৰা-ছোৱালী বেছি হলে দুই কিঃ মিঃ দূৰত্বত আৰু এখন স্কুলৰ সুবিধা চাহ বাগানৰ লৰা-ছোৱালীয়ে যাতে পায় তাৰ এটা বিশেষ আইন বিধান সভাত পাছ নোহোৱা কাৰণে স্কুলৰ সংখ্যা বঢ়াব পৰা নাই। সেই হিচাপে ই লৰা-ছোৱালীৰ সংখ্যা বৃদ্ধি কৰাৰ আইনগত ফাক থকাৰ কাৰণেই স্কুলৰ শিক্ষকৰ সংখ্যা বৃদ্ধি কৰিব পৰা নাই।

আৰু সেই হিচাবে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে শিক্ষকৰ সংখ্যা বৃদ্ধিও আইনৰ ফাক থকাৰ কাৰণেই স্কুলৰ সংখ্যা বঢ়াব পৰা হোৱা নাই। চাহ বাগিছা বিলাকত দেখা যায়, এবেলা শিক্ষকতা কৰাৰ পাচত শিক্ষক সকলে অফিচৰ কাম-কাজত লগোৱা হয়। সেই ক্ষেত্ৰত আইনগত কোনো নিৰ্দ্দিষ্ট ব্যাখ্যা নথকাৰ কাৰণেই এনেকুৱা হবলৈ পাইছে। ইয়াৰ উপৰিও ঘৰ দুৱাৰ, ইস্পিতাল আৰু অন্যান্য কল্যাণমূলক বহুতো কাম আছে। মজদুৰ সকলৰ গাধোৱা ঘৰ, লেট্ৰিন আদিৰো কাম আছে। কিন্তু এই বিলাক একো কৰা হোৱা নাই। যিহেতুকে চাহ বাগিছাৰ বনোৱা আইন খন সংশোধনী কৰা হোৱা নাই। বৰ্ত্তমান চাহবাগিছাৰ বনোৱা আইন যিখন প্ৰনয়ন কৰা হৈছে তাত মালিক সকলৰ ওপৰত কোনো শাস্তিমূলক ব্যৱস্হা নাই। যেনে উদাহৰণ স্বৰূপে, বাগিছাৰ বনোৱা সকলৰ কাৰণে এটা যদি গাধোৱা ঘৰ বনাব লগীয়া হয়, মালিকৰ তাত খৰছ হব ৫০০০ হাজাৰ টকা। কিন্তু এই আইনৰ অনুসৰি কোনোবাই যদি অভিযোগ কৰে কোৰ্টলৈ গলে তেওঁলোকৰ জৰিমনা হিচাবে মাত্ৰ ৫০ টকাৰ পৰা ৫০০ টকালৈ দিবলগীয়া হয়। সেই কাৰণে হয়তো মালিক সকলে ৫০০০ হাজাৰ টকা খৰছ কৰি এটা গা ধোৱা ঘৰ বনাই দিয়াতকৈ ৫০ টকা বা ৫০০ টকা দিয়াটো উজু বুলি ভাবে। চাহবাগিছাৰ বনোৱা আইন খনত কল্যানমূলক কাম বিলাক থাকে কিন্তু সেই বিলাক কাৰ্য্যকৰি হৈ উঠা নাই। আজি স্বাধীনতাৰ ৩৮ বছৰ পাচতো চাহবাগিছাৰ মজদুৰ সকলৰ প্ৰত্যেকে এটা পকী ঘৰ পোৱা নাই, গাধোৱা ঘৰ নাই, হস্পিতাল হোৱা নাই। এই সকলো বিলাক কেৱল মাত্ৰ আইন খনৰ সুৰুঙা থকাৰ কাৰণেই হৈ উঠা নাই। গতিকে মই আমাৰ নতুন চৰকাৰক এই আইন সলনি কৰি মজদুৰ সকলৰ আৱশ্যকতা পূৰণ নকৰিলে শাস্তিমূলক ব্যৱস্হা কৰিবৰ কাৰণে বনোৱা আইন খনৰ সংশোধনী কৰিবৰ বাবে বিছৰা হৈছিল। মই ভাবো কেন্দ্ৰীয় চৰকাৰেও এই খনত অনুমোদন কৰিব লাগে। এই ক্ষেত্ৰত নতুন চৰকাৰে যাতে চকু ৰাখে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো। এই আইন খন সংশোধনী কৰি শাস্তিমূলক ব্যৱস্হা ৰাখি এই কল্যাণমূলক কাম-কাজ বিলাক যাতে কৰিব পৰা যায় তাৰে চেষ্টা চলাবলৈ মই আকো নতুন চৰকাৰক অনুৰোধ কৰিলো।

দ্বিতীয়তে কথা হল চাহবাগিছা বিলাকৰ ষ্টেনডিং অৰ্ডাৰ এক্ট যিখন প্ৰবৰ্ত্তিত হৈ আছে, সেই খন ১৯৪৭ চনতে কৰা অৰ্থাৎ দেশ স্বাধীন হোৱাৰ আগৰে— বৃটিচৰ যুগৰে ষ্টেনডিং অৰ্ডাৰ এক্ট খন প্ৰযোজ্য হৈ আছে। এই আইনৰ মাজত বাগিছাৰ মজদুৰ সকল সদায় দায়বদ্ধ। এই আইনত এজন কৰ্ম্মীক অনিৰ্দ্দিষ্ট কাললৈ শাস্তিমূলক ব্যৱস্থা হিচাবে চাচপেন কৰি ৰখা ব্যৱস্থা আছে। কিন্তু এজন স্থায়ী কৰ্ম্মী কামৰ পৰা নিলম্বিত হোৱাৰ পাচত তেওঁৰ তিনি মাহৰ পাচত দুই তৃতীয় অংশ চাৰ্বচিডাইজ এলাউঞ্চ দিয়াৰ ব্যৱস্থা আছে। আচলতে কৰ্ম্মীজনে তেওঁৰ দৰমহাৰ শতকৰা ৫০ ভাগ পাই থাকিব লাগে। কিন্তু মেনেজমেণ্টে ডমেষ্টিক এনকুৱাৰী কৰাত তিনি মাহতকৈ পলম হলে যি দুই তৃতীয়া অংশ চাৰ্বচিডাইজ এলাউঞ্চ দিয়াৰ ব্যৱস্থা আছে সেইবোৰ বাগিছা বিলাকত দিয়াৰ প্ৰজোয্য নকৰে। বাগিছাৰ কৰ্ত্তৃপক্ষই বহুত সময়ত কৰ্ম্মচাৰী সকলক বহুৱাই ৰাখে। আৰু শেষত দুখীয়া মজদুৰ সকলে পেটৰ তাৰণাত উপায়ন্তৰ হৈ অনুসন্ধানত দেৰী হোৱা দেখিলে মেনেজমেণ্টৰ ওচৰত হেয় হয়। আৰু তেনেকৈ নাম কাটি ভবিষ্যনীধিৰ পইচা খিনি উলিয়াই ওলাই যাব লগা হয়। স্বাধীনতাৰ ৩৮ বছৰ পাচতো এই ষ্টেনডিং আইন খনৰ সংশোধনী নোহোৱাতো বৰ দুখৰ কথা। এই খিনিতে চকু ৰাখিবলৈ চৰকাৰক অনুৰোধ কৰিছো।

তৃতীয়তে চাহবাগিছাৰ জনগোষ্ঠীৰ কল্যানৰ কাৰণে কোনো আইন ৰচনা কৰা হোৱা নাই। কেৱল ১৯৬০ চনত টি এম্পইজ ওৱেলফাৰ ফাণ্ড এক্ট পাচ কৰা হৈছে। এই এক্ট মতে বাগিছাৰ স্থায়ী মজদুৰ সকলৰ যদি কিবা কাৰণত নাম কাটে তেওঁলোকৰ পাবলগীয়া প্ৰভিডেণ্ট ফাণ্ড, গ্ৰেটুইটি ইত্যাদি আনক্লেইম টকা জমা হৈ থাকে। কিন্তু এই আইনৰ যোগেদি যি খিনি পইচা জমা হোৱা দেখা যায়, সেইখিনি অতি কম। অসমত মাত্ৰ ৪, ৫ লাখ মান টকাহে এইধৰণে জমা হয়। এই ৰাহি ধন বছৰে বছৰে কমি গৈছে আছে। আনহাতে শ্ৰমিক সকলৰ কল্যানমূলক কাম এই ৪—৫ লাখ টকাৰ ওপৰতে নিৰ্ভৰ কৰা হৈছে। অৱশ্যে ১৯৮৫ চনত তেতিয়াৰ শ্ৰম মন্ত্ৰী শ্ৰীধানোৱাৰ ডাঙৰীয়াই এই টি এমপ্লয়িজ ওৱেলফাৰ ফাণ্ড এক্টখন সংশোধন কৰি বাগিছাৰ কৰ্ত্তৃপক্ষ, বনোৱা আৰু চৰকাৰ ফালৰ সমানে ধন এই পুঁজিত জমা কৰাৰ ব্যৱস্থা কৰিবলে। ফলত ৩০ লাখ মান টকা জমা হোৱাৰ ব্যৱস্থা হল। ১৯৮৫ চনৰ অৰ্থাৎ কেইমাহমান আগতে এই কল্যানৰ্নিধিৰ চিলভাৰ জুবিলি হৈ গল। মই আশা কৰিছো নতুন চৰকাৰে এই উপৰঞ্চি ধনখিনিৰ ব্যৱস্থা কৰিব। অসমত এই কল্যানৰ্নিধিৰ ১৫ টা চাহ বনুৱাৰ কল্যান কেন্দ্ৰ আছে। আৰু সেই বিলাকৰ যোগেদি বনোৱা সকলৰ কল্যানমূলক কাম কাজত টকা খৰছ কৰা হয়। এই কল্যান কেন্দ্ৰ সমূহৰ যাতে সুচাৰুপে পৰিচালনা হয় আৰু নিৰনুৱা সমস্যাৰ সমাধান কৰিব পাৰে তাৰ ব্যৱস্থা চৰকাৰে কৰিব বুলি আশা কৰিলো। অলপতে অৱশ্যে আমাৰ চাহ মজদুৰ বিধায়ক সকলৰ দাবী লৈ লক্ষ্য ৰাখি চাহ মজদুৰ জনগোষ্ঠীৰ কল্যানমূলক কাম বিলাকৰ কাৰণে এটা সঞ্চালকালয়ৰো ব্যৱস্থা কৰা হৈছে। আজি দুবছৰ আগতে এটি ডাইৰেক্টৰেট, টি এণ্ড এক্স টি গাৰডেন ডাইৰেক্টৰেট খোলা হয়। তাত মাত্ৰ ৩০ লাখ টকাৰহে বাজেট দিয়া হৈছে।

তাৰ ভিতৰত মাত্ৰ ১০ লাখ টকা অফিচ এণ্টাৰি লচমেণ্টৰ কাৰণে আৰু ২০ লাখ টকা চাহ মজদুৰ সকলৰ বিভিন্ন কল্যাণমূলক আচঁনিৰ কাৰণে দিয়া হৈছে। সেই ২০ লাখ টকা ৪৫ লাখ চাহ মজদুৰৰ কাৰণে দিয়া হৈছে। সেইমতে হিচাব কৰিলে এই ক্ষেত্ৰত প্ৰতিজন চাহ মজদুৰৰ জনমূৰি হিচাবে মাত্ৰ ৫০ পইচাহে হয়গৈ। এইটো অতি সামান্য। চাহ মজদুৰ জনগোষ্ঠীৰ মাজত হালোৱা গৰু কিনা, অনা চৰকাৰী শিক্ষা অনুষ্ঠান বিলাকক অনুদান দিয়া, সাংস্কৃতিক অনুষ্ঠান সমূহক অনুদান দিয়া, যুৱক যুৱতী সকলৰ চেলফ্ এম্পয়মেণ্টৰ কাৰণে সামান্য ভাবে হলেও কিবা এটা সহায় আগবঢ়াবৰ কাৰণে টিএণ্ড এক্স টি গাৰ্ডেনৰ ডাইৰেক্টৰেট পৰা সাহাৰ্য্য আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। গতিকে এই ২০ লাখ টকাতো অতি সামান্য হৈছে। ইয়াৰ পৰিমাণ আৰু বঢ়াব লাগে বুলি আশা কৰিলো। এইটো কৰিলে চাহ মজদুৰ জনগোষ্ঠী সকলৰ বিভিন্ন কল্যাণ মূলক কামৰ কাৰণে সহায় হব। শেষত অৱাদ এটা অতি জৰুৰী কথা মই ডাঙি ধৰিব বিচাৰিছো। সেইটো হৈছে চাহ মজদুৰ জনগোষ্ঠীৰ লোক সকল অসমৰ জন সাধাৰণৰ এটা বিৰাট অঙ্গ। আজি স্বাধীনোত্তৰ এই ৩৯ বছৰ কালত বিভিন্ন দিশত, শিক্ষা-দীক্ষা আদিত অতিকৈ পিচপৰা শ্ৰেণী হিচাবে পৰিগণিত হৈ আছে। অ, বি, চি বুলি কোৱা হৈছিল যদিও পিচত আকৌ এম, অ, বি, চি বুলি কোৱা হল। কিন্তু শ্ৰমিক সকলৰ যিটো মূল কথা সেই কথাটো উপলব্ধি কৰিবলৈ বিচৰা নহল। আজি অসমতেই হওক বা

ভাৰতবৰ্ষতেই হওক শিক্ষিতৰ সংখ্যা প্ৰায় জনমূৰি শতকৰা ৩০ ভাগৰ ওপৰ বাঢ়িছে। কিন্তু চাহ মজদুৰ জনগোষ্ঠীৰ শিক্ষিতৰ সংখ্যা শতকৰা মাত্ৰ ৫ ভাগহে আছে। আজি চাহ মজদুৰ জনগোষ্ঠীৰ মাজত ডাক্তৰৰ অভাৱ, ইঞ্জিনীয়াৰৰ অভাৱ, বিভিন্ন গেজেটেড বিষয়াৰ অভাৱ। আজি ডেৰশ বছৰ পাচতো চাহ মজদুৰ সকলে অসমত আহি অসমীয়া হৈ পৰিছে কিন্তু দুৰ্ভাগ্য বশত আজি তেওঁলোকৰ মাজৰ পৰা আজি লকে এজনো এচিষ্টেন্ট মেনেজাৰ বা মেনেজাৰ হোৱাৰ সৌভাগ্য হোৱা নাই। ইয়াৰ কাৰণ হল তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত পিচপৰি থকাৰ কাৰণে এনে বিলাক চাকৰিৰ কাৰণে যোগ্যতা অৰ্জন কৰিব পৰা নাই। আমাৰ ইয়াৰ বাগান বিলাকত থকা চাহ শ্ৰমিক মুণ্ডা, চাওতাল আৰু অন্যান্য জাতিৰ মানুহ আছে তেওঁলোকে ইয়াত কেৱল পিচ পৰা বা এম, ও, বি, চি হিচাবে যি সামান্য সুবিধা পাব লাগে তাকো পোৱা নাই। এওঁলোকৰেই ভাই ককাই সকলে মধ্যপ্ৰদেশ, উৰিষ্যা ইত্যাদিত এচ, টি/এচ, চি হিচাবে পৰিগণিত হৈছে আৰু সাংবিধানিক যিবিলাক অধিকাৰ সেইবিলাক ভোগ কৰি আছে। এই সন্দৰ্ভতে কেইবাটাও কমিচন ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত আৰু অসমলৈও আহি এই চাহ শ্ৰমিক জনগোষ্ঠীৰ অৰ্থনৈতিক দিশ সামাজিক ব্যৱস্থা আৰু শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অনুসন্ধান চলায় আৰু এই চাহ শ্ৰমিক সকলক এচ, টি/এচ, চি হিচাবে পৰিগণিত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সাংবিধানিক প্ৰদত্ত সা-সুবিধা নোপোৱাৰ কাৰণে শতকৰা ৫ ভাগ চাহ শ্ৰমিকহে বা এই জনগোষ্ঠীয়ে যোৱা ৩৯ বছৰে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পৰা নাই। গতিকে এই মানুহ খিনিক সাংবিধানিক ৰক্ষণা-বেক্ষণ দিয়াটো প্ৰয়োজন হৈ পৰিছে। অসমৰ এই জনগোষ্ঠীৰ উন্নতিৰ অবিহনে অসমৰ উন্নতিৰ কথা ভাবিব নোৱাৰি। মই আশা কৰো নতুন চৰকাৰে এই চাহ মজদুৰ সকলে পাবলগীয়া সাংবিধানিক যিখিনি ন্যায্য অধিকাৰ সেইখিনি পোৱাৰ কাৰণে বিবেচনা কৰিব। এইখিনিতে কৈ পুনৰবাৰ ৰাজ্যপালৰ ভাষণক ধন্যবাদ জনাই আৰু মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীদেৱেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গত যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো। এই প্ৰস্তাৱত অসমৰ সকলো কথাই প্ৰতিফলিত হৈছে আৰু সেই কাৰণেই মই আদৰণি জনাইছো। লগতে যি সকল বিৰোধী পক্ষৰ সদস্যই অসন্তুষ্টি প্ৰকাশ কৰিছে তেওঁলোককো এই প্ৰস্তাৱটোৰ প্ৰতি আদৰণি জনাবলৈ অনুৰোধ জনাইছো। ইতিমধ্যে বিৰোধী পক্ষৰ ফালৰ পৰা আমাৰ ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গত বহু কথাই উল্লেখ কৰিছে। তাৰ ভিতৰত মাননীয় সদস্য গোলাম ওচমানি ডাঙৰীয়াই আজি পুৱা বিধান সভাৰ মজিয়াত সংখ্যালঘুৰ ক্ষেত্ৰত ভয় পোষণ কৰিছে তাৰ কোনো কাৰণ নাই। আমাৰ নতুন চৰকাৰে কাকো হাৰাশাস্তি নকৰে। প্ৰকৃততে যি সকল সংখ্যালঘু হয় তেতিয়াহলে তেওঁলোকে অগ্ৰাধিকাৰ আৰু প্ৰাপ্যৰ পৰা বঞ্চিত নহয়। আমাৰ মাননীয় সদস্য ওছমানি ডাঙৰীয়াই দিয়া আন এটা উক্তিত কৈছে যে ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গত অসমৰ জনগোষ্ঠীৰ গাঠনিৰ কথা উল্লেখ হোৱা নাই। কিন্তু মই কওঁ ৰাজ্যপালৰ ভাষণত অসমৰ জনগোষ্ঠীৰ সকলো কথাই প্ৰতিফলিত হৈছে। তেখেতে এই ক্ষেত্ৰত কোনো প্ৰকাশ কৰিব নালাগে। আৰু কৈছে চেলফ্ কন্ট্ৰাডিকচন হোৱা বুলি, কিন্তু সেইটো প্ৰকৃততে হোৱা নাই। সকলো কথাই সামৰি লোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ কেইজনমান মাননীয় সদস্যই ৰাজ্যপালৰ ভাষণৰ ওপৰত তেওঁলোকৰ বক্তব্য ৰাখিবলৈ গৈ কেইটামান দিশত আশংকা প্ৰকাশ কৰিছে। কিন্তু মই কব বিচাৰিছো যে ৰাজ্যপালৰ ভাষণৰ প্ৰথম চোৱাতেই এটা কথা উল্লেখ কৰিছে যে নব নিৰ্বাচিত বিধান সভা গঠন হোৱাৰ লগে লগে ৰাইজৰ মনত অশেষ আশা আকাংখ্যাৰ ভাব সঞ্চাৰিত হৈছে। আমি এনে এক অৱস্থাৰ বাবে আশাৰে বাট চাইছো য'ত সকলো শ্ৰেণীৰ মানুহেই ভয় বা শংকাহীন ভাবে জীৱন যাপন কৰিব পাৰে আৰু য'ত জাতি, ভাষা আৰু সম্প্ৰদায়ৰ ভিত্তিত কোনো ভাৰতীয় নাগৰিকৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰা নহয়। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ সকলো শ্ৰেণীৰলোকে তেওঁলোকৰ মনৰ পৰা ভয় ভাব আঁতৰ কৰি সুখ সন্তোষে জীৱন যাপন কৰিবলৈ সমৰ্থ হব। এই ক্ষেত্ৰত মই বিশেষকৈ সংখ্যালঘু লোক সকল আজি ভীতি বিহবল হৈ পৰা বুলি কেইজনমান সদস্যই যি বক্তব্য দাঙি ধৰিছে সেইবোৰ একেবাৰে অমূলক বুলি কব খোজো। ৰাজ্যপালৰ ভষাণত এইবোৰ কথা প্ৰত্যেক্ষভাবে উল্লেখ কৰা হোৱা নাই যদিও প্ৰৰোক্ষ ভাবে সকলো শ্ৰেণীৰ লোকৰ প্ৰতি সম-ব্যৱহাৰ, শান্তি আৰু সম্প্ৰীতি অটুত ৰখাৰ প্ৰতিশ্ৰুতিয়ে ইয়াকে সূচায় যাব কাৰণে সংখ্যালঘু সকল ভীতি বিহবল হোৱাৰ কোনো কাৰণ নাই।

*Speech not Corrected

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ৪ নং পৃষ্ঠাত চৰ আৰু পিচপৰা অঞ্চলৰ উন্নয়নৰ বাবে হাতত লোৱা কামৰ বিষয়ে উল্লেখ কৰিছে। এই প্ৰসংগত এটা কথা কব পাৰি যে আমাৰ নতুন চৰকাৰে কাৰ্য্যভাৰ হাতত লোৱাৰ পিচতে চৰ অঞ্চলৰ উন্নয়নৰ কাৰণে কিছুমান কাম হাতত লবলৈ দৃঢ় সংকল্পবদ্ধ হৈছে আৰু ইতিমধ্যে সেই অঞ্চলবোৰত জৰীপৰ কাম হাতত লোৱা হৈছে। ইয়াৰ পিচত পৰ্য্যায়ক্ৰমে সেই অঞ্চলবোৰৰ উন্নয়নৰ কাৰণে আনবোৰ আচনিও হাতত লোৱা হব। ইয়াৰোপৰি বিৰোধী সদস্য কেইজনমান বৰ্ত্তমানে ৰাজ্যখনৰ আইন শৃংখলাৰ কথা উল্লেখ কৰিছে। মই এই ক্ষেত্ৰত কব খোজো যে বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচৰেপৰা ৰাজ্যখনত গুৰুতৰ ধৰণৰ আইন শৃংখলাৰ পৰিস্থিতি উদ্ভৱ হোৱা নাই। বৰং আগৰ তুলনাত বৰ্ত্তমান আইন শৃংখলাৰ যথেষ্ট উন্নতি হৈছে। আন এটা প্ৰসংগত মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই 'বিপিলিং বিল' খনৰ কথা উল্লেখ কৰিবলৈ গৈ কৈছে যে ৰাজ্যপালৰ ভাষণত এই বিল খনৰ উল্লেখ নথকাকৈ কেনেকৈ সদনলৈ অনা হল সেই বিষয়ে কৈছে। কিন্তু এই বিলখনৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হোৱা নাই যদিও যোৱা ১০ জানুৱাৰী তাৰিখে ৰাজ্যপালৰ পৰা এটা মেচেজ আহিছে আৰু সেইখন সদনত পাঠ কৰি দিয়া হৈছে। গতিকে এই ক্ষেত্ৰত তেখেত সকলে চিন্তান্বিত হব নালাগে। মাননীয় সদস্য শ্ৰীওচমানি ডাঙৰীয়াই অসম চুক্তি কাৰ্যকৰী কৰণৰ ক্ষেত্ৰত সংখ্যালঘু সকল হাৰাশাস্তি হোৱাৰ বিষয়ে আৰু এই চুক্তি বিৰোধীতা কৰাৰ কাৰণে যি ব্যাখ্যা ডাঙি ধৰিছে সেই ক্ষেত্ৰত মই কব খোজো যে অসম চুক্তি ৰূপায়ন কৰিবলৈ যাওঁতে কোনো ভাৰতীয় লোকক হাৰাহাস্তি কৰা নহয় আৰু চুক্তি খনত এইটো স্পষ্টকৈ উল্লেখ কৰা আছে যে ১৯৭১ চনৰ পিচত যি সকললোক অহিছে তেওঁলোকক প্ৰথমতে চিনাক্ত কৰি তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হল আৰু তেওঁলোকক পৰ্য্যায়ক্ৰমে অসমৰ পৰা বহিস্কাৰ কৰা হব। সেইফালৰ পৰা চাবলৈ গলে শ্ৰীওচমানি ডাঙীয়াই যি আশংকা প্ৰকাশ কৰিছে সি একেবাৰে অমূলক আৰু এই চুক্তি ৰূপায়িত কৰাত বাধা দিবলৈ আইনমতে তেওঁৰ কোনো অধিকাৰ নাই। ইয়াৰ বাহিৰেও তেখেতে ৰাজ্যপালৰ ভাষণত উন্নয়নমূলক কামৰ বাবে যি ধৰণে প্ৰকাশ পাব লাগিছিল সেই ধৰণে প্ৰকাশ পোৱা নাই বুলি আপত্তি দৰ্শাইছে। কিন্তু মই কব খোজো যে ৰাজ্যপালৰ ভাষণত উন্নয়নমূলক কামৰ কথা যথেষ্ট ব্যাখ্যা ডাঙি ধৰিছে আৰু সেই কাৰণে তেখেতৰ ভাষণখন সকলোৰে কাৰণে গ্ৰহণ যোগ্য হৈছে বুলি ভাবো। এইখিনিতে মই আৰু এটা কথা কব বিচাৰো যে বিৰোধী পক্ষৰ সদস্য এজনে চৰকাৰৰ উন্নয়ন মূলক কাম-কাজৰ কথা কবলৈ গৈ সেইবোৰ আগৰ চৰকাৰে কৰা কাম আৰু আচনি বুলি কব বিচাৰিছে। কিন্তু মই কও যে আগৰ চৰকাৰে যি কামেই নকৰক লাগে এই আটাইবোৰ কথা নতুন চৰকাৰে পুনৰ পৰীক্ষা আৰু বিবেচনা কৰি চাইহে পদক্ষেপ আগবঢ়াব।

অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ এজন মাননীয় সদস্যই কুৰি দফীয়া আচনিৰ কথা উল্লেখ কৰি নতুন চৰকাৰৰ সেই আচনি বোৰৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নথকা বাবে আক্ষেপ প্ৰকাশ কৰিছে। কিন্তু প্ৰকৃততে কবলৈ হলে ৰাজ্যপালৰ ভাষণত কুৰি দফীয়া অৰ্থনৈতিক আচনিৰ কথা প্ৰত্যক্ষভাবে উল্লেখ কৰা নাই যদিও পৰোক্ষভাবে যিবোৰ আচনিৰ কথা উল্লেখ কৰা হৈছে তাৰ মাজতেই এইবোৰ আচনি সামৰি লোৱা হৈছে। এই আচনিবোৰৰ ভিতৰত আই, আৰ, ডি, পি,— এন, আৰ, ই, পি আদি আচনিৰ কাম ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আচনিৰ লগত যোগ কৰা হৈছে। আমাৰ নতুন চৰকাৰে এই আচনিসমূহ ৰূপায়িত কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰিব।

মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ভূমি সংস্কাৰৰ বিষয়ে কবলৈ গৈ এটা কথা কৈছে যে চিলিং উদবৃত্ত মাটি ভবিষ্যতে মাটিৰ মালিকক ঘুৰাই দিয়াতো বন্ধ কৰিব লাগে। ইয়াৰোপৰি কৃষিৰ ক্ষেত্ৰত মাননীয় সদস্য গৰাকীয়ে যি কেইটা পৰামৰ্শ আগবঢ়াইছে সেই আটাইবোৰ কথা নতুন চৰকাৰে নিশ্চয় পৰীক্ষা নিৰীক্ষা কৰি চাব। আনহাতে তেখেতে শিলঘাটৰ মৰাপাট কলটোৰ বিষয়েও কিছু কথা উত্থাপন কৰিছে। এই বিষয়টোত নতুন চৰকাৰে অধিক গুৰুত্ব আৰোপ কৰিছে আৰু যোৱা এক জানুৱাৰীৰ পৰা এই মিলটো পুনৰ চলোৱাৰ দিহা কৰা হৈছে আৰু পৰ্য্যায়ক্ৰমে ইয়াৰ বাকী থকা কাম খিনিও কৰিব পৰা হব বুলি আমি আশা ৰাখিছো। ইয়াৰোপৰি অসম চুক্তিখন ৰূপায়িত কৰিবলৈ যাওঁতে তাৰ পৰা কেইটামান দফা বাদ দিয়াৰ কাৰণে সদস্য গৰাকীয়ে মত পোষণ কৰিছে। কিন্তু এইখিনিতে মই সদনৰ আৰু মাননীয় সদস্য গৰাকীৰ দৃষ্টি আকৰ্ষণ কৰি কব খোজো যে যি কেইটা দাবী লৈ আজি সুদীৰ্ঘ ছয় বছৰে অসমৰ ৰাইজে বহুতো জীৱন আহুতি দি অশেষ কষ্টেৰে এই

চৰিত্ৰ সম্পাদন কৰিবলৈ সমৰ্থ হৈছে তেনে ক্ষেত্ৰত সদস্য গবাকীয়ে উল্লেখ কৰা কথাখিনি বাদ দি চৰিত্ৰ ৰূপায়ন কৰিবলৈ হলে অসম চৰিত্ৰৰ কোনো অৰ্থই নাথাকিব আৰু এইটো অসমৰ সংগ্ৰামী বাইজে কেতিয়াও মানি নলব। সেই কাৰণে মই সদস্য গবাকীক আবলতাবল কিছুমান কথাৰ অৱতাৰণা নকৰাকৈ অসম চৰিত্ৰখন কাৰ্য্যকৰী কৰাত সহায় সহযোগ আগবঢ়াব বুলি আশা কৰিলো।

মাননীয় অধ্যক্ষ :— মাননীয় সদস্য গবাকীয়ে শেষ কৰক নাইবা আপুনি আকৌ কাইলৈ কব কিয়নো এতিয়া ৫ বাজিছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত হবলগীয়া বিতৰ্কৰ সময় উকলি গৈছে।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য সকলে আলোচনা বিলোচনাৰ মাজেৰে সংশোধনী বিচাৰে আৰু এইটো সদনৰ নীতি। এনে ক্ষেত্ৰত মাননীয় সদস্য গবাকীয়ে 'আবল তাবল' অসংবিধানিক শব্দ ব্যৱহাৰ কৰি সদনৰ নীতি ভঙ্গ কৰিছে। গতিকে তেখেতে এই শব্দ কেইটা উঠাই লব লাগে।

মাননীয় অধ্যক্ষ :— আপুনি এই শব্দ কেইটা উঠই লওক।

শ্ৰীদেবেশ্বৰ বৰা :— মই এই শব্দ কেইটা উঠাই লৈছো।

অধ্যক্ষ মহোদয়, সময় কম হোৱাৰ কাৰণে আপুনি মোক সময় সংকেত দি আছে। মই আৰু বেছি বহলাই নকওঁ। সদৌ শেষত ৰাজ্যপালৰ ভাষণখন সমৰ্থন আৰু ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিলো।

অধ্যক্ষ :— এতিয়া ৫ বাজিল। ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক স্থগিত ৰাখিলো আকৌ কাইলৈ আৰম্ভ কৰা হব। এতিয়া গৃহ মন্ত্ৰী শ্ৰীভৃগু কুমাৰ ফুকনে আইটেম নং ৫ (ক) উত্থাপন কৰিব।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ অসম বাতিলকৰণ বিধেয়কখন আজিৰ সদনত বিবেচনাৰ কাৰণে মই আপোনাৰ অনুমতি বিছাৰিছো।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, এই বিলখন উত্থাপন কৰাৰ আগতে মই আপোনাৰ এটা কথাত দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো। আজি কি বিল বিপিল কৰিব বিছাৰিছে আমি তাৰ বিষয়ে একো নাজানো। মাননীয় সদস্য সকলে যদি দেখিছে নাজানো। যিখন বিল বাতিল কৰিবলৈ ওলাইছে সেই খনতো কি বিল আছিল আমি তাক নজনাকৈ সপক্ষে বা বিপক্ষে একো কব নোৱাৰো। চৰকাৰে এইখন বিল আনোতে কিয় চুপ চাপ কৰি আনিলে আমাক কপি কিয় নিদিলে নাজানো। গতিকে সপক্ষে বা বিপক্ষে একো নকৈ মোৰ আসন গ্ৰহণ কৰিলো।

## CONSIDERATION AND PASSING OF GOVERNMENT BILL

Shri DEWAN JAINAL ABEDIN.—Mr. Speaker, Sir, as a matter of Parliamentary practice whenever any bill is introduced in the Assembly the concerned portion of the bill is placed here before the Hon'ble Members for their consideration. Now, Sir, the Bill was introduced the other day and it has been placed now for consideration. Sir, it would have been better had we got a copy of the Gr. P. C. amendment. I fail to understand what prevented the Government and for that matter the authority of

the house to l ok after the Parliamentary affairs to present a copy of the concerned Bill. Any way, as we can understand, this portion that is sought to be amended, well, it relates to the transfer of power from a certain section of the Cr. P. C., I do not know the sections, from Executive to Judiciary. Now, Sir, if that is so, I would like to support this Bill whole-heartedly because as enunciated by the celebrated political Theoretician Montesqe that separation of powers between Judiciary, Executive and Legislature is a necessary precondition to successful functioning of democracy. Now, Sir, the 83 amendment of Cr. p. c. which took away certain vital rights of judiciary from Judiciary to the Executives was a gross encroachment upon the rights of Judiciary and in a democracy where the powers of Judiciary is encroached upon by the Executives, well, that is no democracy. Democracy cannot function at all if it is constantly interfered by the Executive. So, Sir, we know that the power that the Executive and for that matter the then Government took away from Judiciary, well, and with that power they did a lot of misdeed against the people of Assam. Well, the people of a country have the rights, democratic rights to ventilate their grievances to build up democratic movements in support of their movement, in support of their demand. A particular movement or agitation may be misguided at a particular time but the people should have a right to ventilate their grievances. Why should a Government try to snatch away the democratic rights of the people granted to it by the Constitution and this '83 amendment of the Cr. P. C. took away these Judicial rights and grossly misused the power for harassing the people of Assam who participa-ed in the movements. Now Sir, we know that the Executive from Government officials by exercising these judicial powers they unnecessarily detained some people who participated in a democratic movement. They did not allow bails for months together. Well, I am not speaking about any particular movement but I am speaking with relation to the rights of the people. Anyone should have the right to approach a Court of Law. If the powers of the Judiciary is transferred to the Executives there is the danger of its being misused and that is what happened during the last 6 years of the Assam agitation. Now, Sir, while I extend my whole-hearted support to the Bill I would like to support further that

the Government if it is committed to restore the democratic norms in the State of Assam they must repeal, in the same manner, all other black Acts that were passed earlier.

Shri BINAI KHUNGUR BASUMATARI.—Sir, under Rule 91 of the Rules of Procedure and Conduct of Business I beg to move that the discussion in the House be adjourned till the Secretary and the Government supplies us with the relevant portion of the Bill.

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (আইনমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে এষাৰ কব খুজিছো। এই সম্পৰ্কত এইটো কথা কোৱা উচিত হব যে ১৯৮৩ চনত চৰকাৰে এখন অৰ্ডিনান্স জাৰি কৰিছিল আৰু সেই মতে চি-আৰ-পি-চিৰ পাচটা ধাৰা সংশোধন কৰিছিল। সেই পাচটা ধাৰা হ'ল, ১৬৭, ১৯ ইত্যাদি। তাৰ উপৰিও আৰু এটা নতুন ধাৰা ৪৩৯(ক) অৰ্ডিনান্সৰ মাজলৈ আনি আইনত পৰিণত কৰাইছিল। আইনখন যেতিয়া কাৰ্য্যকৰী কৰিবলৈ ললে তেতিয়া সেই সংশোধনী মতে আচলতে জুডিচিয়েল মেজিষ্ট্ৰেটৰ ওচৰলৈ যাবলীয়া কেচ বিলাক এক্সিকিউটিভ মেজিষ্ট্ৰেটৰ ওচৰলৈও পঠাবলৈ ধৰিলে আৰু তাৰ ফলত নানান বেমেজালিয়ে দেখা দিলে। বহুত ক্ষেত্ৰত এক্সিকিউটিভ মেজিষ্ট্ৰেটে পাওৱাৰৰ মিচ ইউজ কৰিছিল আৰু তাৰ ধেৰ উদাহৰণ আছে। এই ক্ষেত্ৰত মই এটা উদাহৰণ দিব খুজিছো। ১৯৮৩ চনৰ দুই ফেব্ৰুৱাৰীৰ দিনা গুৱাহাটীত ১৮৭ জন উকীলে ১৪৪ ধাৰা ভঙ্গ কৰাৰ অপৰাধত এৰেষ্ট হৈছিল। এই উকীল সকলক চাৰি বজাত জেলৰ পৰা আনি এক্সিকিউটিভ মেজিষ্টেটৰ ওচৰত হাজিৰ কৰা হৈছিল। তেতিয়াৰ এক্সিকিউটিভ মেজিষ্টেট শ্ৰীমতী নিলোফাৰ হাজৰিকাৰ আগত প্ৰডিউচ কৰি দিয়াৰ পিচত বেইলৰ কাৰণে প্ৰাৰ্থনা কৰা হল কিন্তু শ্ৰীমতী নিলোফাৰ হাজৰিকাই দুৱাৰ ধৰি তেতিয়াৰ ডি-চি শ্ৰীঅগ্নিহোত্ৰী ডাঙৰীয়াৰ ওচৰলৈ গৈ শেষত ৰায় দিলে যে দহ হাজাৰ টকাৰ জামিনত বেইলত যাব পাৰে। তেতিয়া প্ৰত্যেক জন উকীলে সেইমতে যাবলৈ অমান্তি হল। মইও সেই উকীল সকলৰ লগৰে এজন আচামী আছিলো। তেনেভাৱে বেইলত যাবলৈ অসম্মতি প্ৰকাশ কৰাত অগত্যা চিফ জাষ্টিচৰ অনুমতি লৈবেইল পিটিচন মোভ কৰা হল জাষ্টিচ শ্ৰীইবটম্বী সিংও মহাশয়ৰ বেচিডেন্সিয়েল কোৰ্টত। তাৰ পিচত ৰাতি এঘাৰ বজাৰ পি-আৰ-বণ্ডত এই এশ সাতাশীজন উকীল বেইলত আহিল। এই সাধাৰণ দোষবোৰৰ বাবে দহ হাজাৰ টকাৰ বেইলৰ কাৰণে আদেশ কৰিছিল। ঠিক তেনেকৈয়ে ৩০২ ধাৰাৰ মাৰ্ডাৰ কেচ বিলাকো জুডিচিয়েল মেজিষ্টেটৰ ওচৰলৈ যাব লাগে যদিও সংশোধিত ধাৰা মতে এক্সিকিউটিভ মেজিষ্টেটৰ ওচৰলৈও পঠোৱা হৈছিল। এই ১৯৮৩ চনৰ সংশোধনী আকৌ ১৯৮৪ চনত পুনৰবাৰ সংশোধন কৰা হৈছিল। তাৰ পিচত এবছৰৰ কাৰণে ম্যাদ বঢ়াই দিছিল। তেতিয়া ১৩ অক্টোবৰ তাৰিখে সেই অৰ্ডিনান্স অনা হৈছিল আৰু সংশোধিত কৰি ক্ষমতা দিয়া হৈছিল এক্সিকিউটিভ মেজিষ্ট্ৰেট সকলোকো। পুলিচে ৰাস্তা ঘাটত যেনে তেনেকৈ লোকক মাৰিব পাৰিছিল অপৰাধ নোহোৱাকৈয়ে। ইয়াৰ কাৰণে কোনো গোচৰৰ ব্যৱস্থা নাছিল। 'ইন দি ডিচচাৰ্জ অৱ ডিউটি'ৰ ঠাইত ইন কানেকচন উইথ দি ডিচাৰ্জ অৱ ডিউটি কৰি দিয়াৰ ফলতে এনেকুৱা কৰিব পাৰিছিল। আৰু তাৰ কাৰণে সেইটো চৰকাৰে চেংচন নকৰিলেও তাৰ কাৰণে কোনো ধৰণৰ কেচ কৰিব পৰা নগৈছিল। অন্যান্য ধাৰা সমূহৰ ভিতৰত ১৯২, ১৯৩, ৩৭৪ ধাৰা ইত্যাদিৰ কেচ বিলাকো জুডিচিয়েল মেজিষ্ট্ৰেটৰ সলনি এক্সিকিউটিভ মেজিষ্ট্ৰেটৰ ওচৰলৈ পঠিওৱা হৈছিল। তাৰ উপৰি ৪৩৯ কেপিটেল এ ধাৰা মতে মানুহজন বেইলত আহিব নোৱাৰিছিল। মেজিষ্ট্ৰেট বা চেচন জাজ বা কোৰ্টে এভিডেন্স নোহোৱাকৈ মানুহজন নিৰ্দোষী বুলি ঘোষণা কৰিব নোৱাৰে। পুলিচৰ আগত যিটো ষ্টেটমেণ্ট দিয়া হয় সেইটো কেতিয়াও এভিডেন্স হব নোৱাৰে। কিন্তু মানুহজনক নিৰ্দোষী বুলি ঘোষণা কৰাটো তেনে ক্ষেত্ৰত সম্ভৱপৰ নহয় আৰু ফলত বেইলত দিয়াও হৈ নুঠিছিল। এনেকুৱা ক্ষেত্ৰত বহুত মানুহ এনেয়ে জেলত থাকিবলগীয়া হৈছিল। কোৰ্টে বা হাইকোৰ্টেও বেইলত দিয়াৰ কাৰণে অসম্মতি প্ৰকাশ কৰিছিল। সেই অৱস্থাৰ শাম কটাবলৈ মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই এই বিলখন উত্থাপন কৰিছে সেইবোৰ উঠাই দিয়াৰ কাৰণে। গতিকে ইয়াত আপত্তি কৰিবলগীয়া একো কথা নাই। বিলখন পাচ হব লাগে।

মাননীয় অধ্যক্ষ ঃ— মাননীয় গৃহমন্ত্ৰীয়ে কব।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ— এই সদনত বাতিলকৰণ বিলৰ প্ৰতিলিপি দিয়াৰ কাৰণে মাননীয় সদস্যই যিটো যুক্তি আগবঢ়াইছে সেইটো মানি লবলৈ টান পাইছো কিয়নো এইখন নতুন বিল নহয়। আগৰ বিলৰ বাতিলকৰণহে।

মাননীয় অধ্যক্ষ ঃ— এই সদনত ইতিমধ্যে মানি অহা নিয়ম অনুসৰি সংশোধনী বিধেয়কৰ ক্ষেত্ৰতহে প্ৰতিলিপি দিয়া হয় কিন্তু বাতিলকৰণ বিধেয়কৰ ক্ষেত্ৰত প্ৰতিলিপি দিয় নহয়। ৯১ ধাৰা অনুসৰি স্থগিত ৰখাৰ যিটো প্ৰশ্ন মাননীয় সদস্যই উত্থাপন কৰিছে সেইটো এই ক্ষেত্ৰত প্ৰযোজ্য নহয়।

Now I put the motion. The motion is that "The Assam Repealing Bill 1986 be taken into consideration." The motion is passed.

Now item No. 5 (b).

There is no amendment to clauses 2 and 3 of the Bill. Clauses 2 and 3 do form part of the Bill.

Clauses 2 and 3 do stand part of the Bill. Now I put clause 1, Preamble, Enacting Formula and Short Title of the Bill.

Clause 1, Preamble, Enacting Formula and Short Title do form part of the Bill.

The Clause 1, Preamble, Enacting Formula and Short Title form part of the Bill.

শ্ৰীভৃগু কুমাৰ ফুকণ (মন্ত্ৰী) ঃ-- মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ অসম বাতিল কৰণ বিধেয়কখন গ্ৰহণ কৰাৰ বাবে অনুমতি বিচাৰিছো।

Mr. SPEAKER.—The motion is that "The Assam Repealing Bill 1986" be passed.

The Motion is passed, the Bill is passed.

## OBITUARY REFERENCE

মাননীয় অধ্যক্ষ ঃ— মই প্ৰয়াত বিদ্ৰোহী কবি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰসন্নলাল চৌধুৰীৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ থিয় হৈছো। শ্ৰীপ্ৰসন্নলাল চৌধুৰী দক্ষিণ কামৰূপৰ পলাশবাৰীত ১৮৯৮ চনত জন্ম গ্ৰহণ কৰিছিল। গুৱাহাটী কটন কলেজ, কলিকতাৰ চেন্ট পলছ্ কলেজ আৰু গুৱাহাটীৰ অৰ্লা ল কলেজত উচ্চ শিক্ষা লাভ কৰি তেখেতে শিক্ষকতাৰে কৰ্ম্ম জীবনৰ পাতনি মেলে আৰু ভালে কেইখন স্কুলত সুখ্যাতিৰে কাম কৰি বৰপেটা বিদ্যাপীঠৰ পৰা প্ৰধান শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰে।

তেখেতে ৰঙ্গমঞ্চ মিলন মন্দিৰত মঞ্চস্থ কৰা শতাধিক নাটকত সুঅভিনয় কৰি অভিনেতা হিচাবে সুখ্যাতি লাভ কৰিছিল। ১৯৬৯ চনত তেখেতে অসমীয়া অসমীয়া কথা ছবি 'অপৰাজেয়ত' সুঅভিনয় কৰিছিল। তেখেতৰ কণ্ঠত 'শুন শুন ৰে শুন' বৰগীতটো পোন প্ৰথমে ৰেকৰ্ডত বাণীবদ্ধ কৰা হৈছিল। অসম সাহিত্য সভাৰ ডিব্ৰুগড়ত বহা চতুঃ ত্ৰিংশতম অধিবেশনৰ কবি সন্মিলনৰ সভাপতি আৰু গোলাঘাটত বহা অসম সাহিত স্যভাৰ হীৰক জয়ন্তী পালনৰ পঞ্চ স্বতুৰিংশ অধিবেশনৰ সভাপতিৰ পদ অলংকিত কৰিছিল।

তেখেতে ভালেমান বহুমূলীয়া আৰু মূল্যবান প্ৰবন্ধ লিখি অসমীয়া সাহিত্যলৈ অমূল্য অবদান আগবঢ়াই গৈছে। সাহিত্যৰ উপৰিও 'আমাৰ গাওঁৰ পুনৰ গঠন' নামৰ পুথিৰে অৰ্থনৈতিক সংগঠনৰ বাবে তেখেতে নিৰ্দ্দেশ দি গৈছে। সুখ্যাত চিকাৰী হিচাবে তেখেতৰ চিকাৰ সম্পৰ্কীয় প্ৰবন্ধপাতিও প্ৰকাশ পাইছিল। অতি কম সময়ৰ কাৰণে হলেও তেখেতে সাংবাদিক হিচাবেও 'প্ৰকাশ' নামৰ অসমীয়া আলোচনী এখনৰ সম্পাদনা কৰিছিল।

এজন দেহে কেহে অসম হিতৈষী হিচাবে চৌধুৰীয়ে অসমত বিদেশী প্ৰব্ৰজন সন্দৰ্ভত মাজে সময়ে ৰাজহুৱা সভাত অভিব্যক্তি দাঙি ধৰিছিল।

এই খ্যাতনামা অসম প্ৰেমী তথা প্ৰথিতযশা সাহিত্যক, সমাজ সেৱক শ্ৰীপ্ৰসন্নলাল চৌধুৰী গত এমাহ ধৰি বাৰ্দ্ধক্যজনিত তথা ৰক্তচাপ জনিত অসুখত ভুগী যোৱা কালি ২০।১।৮৬ ইং তাৰিখে ৰাতিপুৱা ৬.৪৫ মিনিটত বৰপেটাৰ দ'হাটীৰ নিজ ঘৰত ৮৮ বছৰ বয়সত ইহ সংসাৰ ত্যাগ কৰিছে। তেখেতৰ বিয়োগত অসমে এজন আগশাৰীৰ সাহিত্যসেৱী আৰু দেশপ্ৰেমীকক হেৰুৱালে।

মই চৌধুৰীৰ আত্মাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি মাননীয় সদস্য সকলক নিজৰ আসনত থিয় হৈ দুই মিনিট সময় মৌনতা অৱলম্বন কৰিবলৈ অনুৰোধ কৰিলো।

(সদনত দুই মিনিট মৌনতা অৱলম্বন কৰা হয়।)

কাইলৈৰ দিনৰ ১০ বজালৈকে সদন স্থগিত ৰখা হল।

## ADJOURNMENT

The Assembly then adjourned till 10 A M. on Wednesday, the 22nd January, 1986.

Dispur:
The 21st January, 1986.

Dr. P. N. HAZARIKA,
Secretary,
Legislative Assembly, Assam.

Not for Issue
A. L. A. Library

AGP. (Mini) L. A. 106/88—1,500—28-12-88